www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, NOVEMBER 12, 2024 ■ মঙলবাৰ, ২৬ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৯ Guwahati, Assam ।। মূল্যঃ এটকা

### পথ দুৰ্ঘটনাত ৰাজ্যত ৮জন নিহত

**ই-সংবাদ, ১১ নৱেম্বৰঃ** আজিৰ দিনটোত ৰাজ্যত সংঘটিত কেইবাটাও ভয়ংকৰ পথ ৪ পৃষ্ঠাত চাওক

সংবাদমেলত তথ্যসহ জগদীশ ভূঞাৰ বিস্ফোৰণ


## থলুৱা ঠিকাদাৰক ভাতে মাৰিছে চৰকাৰে




**ই-সংবাদ, ১১ নৱেম্বৰঃ** প্ৰায় ২২ হাজাৰ কোটি টকা ঠিকাদাৰক আদায় দিবলৈ বাকী আছে অসম চৰকাৰৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঠিকাদাৰসকলক বিল আদায় দিয়া নাই। চহৰ উন্নয়ন বিভাগ, লোকনিৰ্মাণ বিভাগ, আৰক্ষীৰ গৃহ নিৰ্মাণ বিভাগৰ হাজাৰ হাজাৰ শেষাংশ ৪ পৃষ্ঠাত

## মৰাণ-মটকৰ বন্ধত স্তব্ধ তিনিচুকীয়া-ডিব্ৰুগড়

### ছত্ৰভংগ দিবলৈ শূন্যলৈ গুলীবৰ্ষণ



**ই-সংবাদ, ডুমডুমা-ডিব্ৰুগড়, ১১ নৱেম্বৰঃ** মুখ্যমন্ত্ৰীয়ে অসমৰ ক'তো এতিয়া আন্দোলন নহয় বুলি দাম্ভিক মন্তব্য কৰি অহাৰ সময়তে জনজাতিকৰণৰ শেষাংশ ৭ পৃষ্ঠাত

পদুমত ভোট নিদিলে 'অৰুণোদয়' কাটি দিয়াৰ মুকলি ভাবুকি মন্ত্ৰী জয়ন্তমল্লৰ

# সংখ্যালঘুৰ ভোট ল'বলৈ বিজেপিৰ 'ব্লেকমেইল পলিটিক্স'!

■ বীমাজুলিত নৰসংহাৰ কৰা সংবিজিতক লগত লৈ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলালে বিজেপিৰ নেতাই



**ই-সংবাদ বিশেষ, ১১ নৱেম্বৰঃ** সংখ্যালঘু মুছলমানৰ ভোট নালাগে বুলি কোৱা বিজেপিয়ে এতিয়া ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বলৈ দেখদেখকৈ নামি পৰিছে ব্লেকমেইলিঙৰ শেষাংশ ৬ পৃষ্ঠাত

আছুৰ ৰাজ্যজুৰি প্ৰতিবাদ

## যোগানমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

**ই-সংবাদ, ১১ নৱেম্বৰঃ** সাধাৰণ জনতাই আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত চকুৰে সৰিয়হ ফুল দেখিছে। শেষাংশ ৩ পৃষ্ঠাত

## মণিপুৰত সংঘৰ্ষ, নিহত ১১ উগ্ৰপন্থী

**ই-সংবাদ, ইম্ফল, ১১ নৱেম্বৰঃ** পুনৰ অশান্ত হৈ পৰিছে মণিপুৰ। সোমবাৰে ৰাজ্যখনৰ জিৰিবাম জিলাৰ জাকুৰাধোৰত সংঘটিত গুলীয়াগুলীৰ শেষাংশ ৩ পৃষ্ঠাত

শিৱসাগৰত অখিলৰ দাবী

## কিংমেকাৰ হ'ব ৰাইজৰ দল!

**ই-সংবাদ, শিৱসাগৰ, ১১ নৱেম্বৰঃ** অসমত পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণি পৰাৰ লগে লগে ২০২৬ শেষাংশ ৩ পৃষ্ঠাত

হিমন্ত বিশ্ব, হেমাংগ ঠাকুৰীয়া মূৰ্দাবাদ ধ্বনি

## পলাশবাৰী কঁপালে খিলঞ্জীয়া কৃষক-শ্ৰমিকে



**ই-সংবাদ, মিৰ্জা, ১১ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ, বিধায়ক হেমাংগ ঠাকুৰীয়া হুছিয়াৰ, পলাশবাৰী ৰাজহ চক্ৰত দালালি কৰা নচলিব, পলাশবাৰী আৰক্ষীয়ে কৃষকৰ নামত তৰা ভুৱা গোচৰ উঠাই লওক, শেষাংশ ৫ পৃষ্ঠাত

## নাপালে জামিন, ছবি আঁকা মাৰ্শ্বেলক জেললৈ প্ৰেৰণ



**ই-সংবাদ, ১১ নৱেম্বৰঃ** ৰং আৰু তুলিকাৰে খেলা কৰা চিত্ৰশিল্পীয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰী শেষাংশ ২ পৃষ্ঠাত

## হিংসা, তৰ্জন-গৰ্জন, বাকযুদ্ধৰে উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি

**ই-সংবাদ, গুৱাহাটী-পুৰণিগুদাম-কোকৰাঝাৰ, ১১ নৱেম্বৰঃ** হিংসা, তৰ্জন-গৰ্জন, বাকযুদ্ধৰ অন্তত আজি বিয়লি ৪ বজাত সামৰণি





পৰে চামগুৰি, বিহালী, বঙাইগাঁও আৰু চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান। উপ-নিৰ্বাচন শেষাংশ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাপালে জামিন, ছবি অঁকা মাৰ্শ্বেলক

হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ তথা ক্ষতি কৰিবলৈ পৰিকল্পনা কৰাৰ অভিযোগত একাধিক গুৰুত্বপূৰ্ণ ধাৰাত গোচৰ কৰি গুৱাহাটী আৰক্ষীয়ে এজন চিত্ৰশিল্পীক জেললৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ধৰ্ষ অপৰাধীৰ দৰে ব্যৱহাৰ কৰি ৰাজ্যৰ এগৰাকী উদীয়মান চিত্ৰশিল্পীক ২৪ ঘণ্টা ধৰি জেৰাৰ অন্তত গুৱাহাটী মহানগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ১০ নৱেম্বৰৰ পুৱতি নিশা এটা কোঠাৰ পৰা ধৰি আনি ২৪ ঘণ্টা থানাত ৰাখি আজি চিত্ৰশিল্পী আৰু সহযোগীক গ্ৰেপ্তাৰ কৰা হৈছে। ২৪ ঘণ্টীয়া জেৰাৰ অন্তত উদীয়মান চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈক গ্ৰেপ্তাৰ কৰিছে গুৱাহাটী মহানগৰীৰ ভৰলুমুখ আৰক্ষীয়ে। এটা দিন আৰু এটা নিশা আৰক্ষী থানাত জেৰা কৰি পিছদিনা পুৱাই গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈক। কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশ আদালতত চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা, জাতীয় যুৱ বাহিনীৰ প্ৰচাৰ সচিব অংকুমান বৰদলৈক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। বিৰুদ্ধে ন্যায় সংহিতাৰ ১৮৯(২),১৮৯(৩), ১৯২/২২৪/২৭০/৩৫১(৩)/২৫২/৩৫৩(২) ধাৰাত আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষতি প্ৰতিৰোধ আইন, ১৯৮৪ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা বুলি জানিব পৰা গৈছে। ভৰলুমুখ আৰক্ষীয়ে মাৰ্চেল বৰুৱা আৰু অংকুমান বৰদলৈক ধৰি আৰক্ষী থানালৈ নিয়াৰ পিছতে থানা চৌহদত নিৰাপত্তাৰক্ষী বৃদ্ধি কৰা হৈছিল। পৰিয়াল তথা অন্য কোনো লোকক সাক্ষাৎ কৰিব দিয়া নাছিল। আৰক্ষীয়ে আপত্তিজনক ফটো অঁকা আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষতি কৰাৰ অভিযোগত ১০ নৱেম্বৰৰ পুৱতি নিশা ভৰালুমুখ আৰক্ষীয়ে দুয়োকে প্ৰথমে আটক কৰিছিল যদিও পিছত গ্ৰেপ্তাৰ কৰে। চিত্ৰশিল্পীগৰাকীৰ অধিবক্তাই কয় যে অভিযোগ বিশেষভাৱে গুৰুতৰ নহয় আৰু আদালতে শীঘ্ৰেই মুক্তি দিব। অধিবক্তা আনিছুৰ ৰহমানে কয় যে আমি আদালতৰ সন্মুখত যুক্তি দিছিলো যে দুয়োজনে কোনো ৰাজহুৱা সম্পত্তিৰ ক্ষতি কৰা নাই। কিয়নো চিত্ৰখন এখন ফ্লেক্স শ্বীটত অংকন কৰিছিল। আমি আদালতক জনাইছিলো যে জেড-প্লাছ নিৰাপত্তা থকা মুখ্যমন্ত্ৰীক তেওঁলোকে ক্ষতি কৰিব নোৱাৰে। আমাৰ জামিন আবেদন নাকচ কৰা হৈছে যদিও কাইলৈ উচ্চ ন্যায়ালয়ত আন এখন আবেদন দাখিল কৰিম। ইপিনে ভৰলুমুখ আৰক্ষীয়ে আটক কৰা কমল কুমাৰক দেওবাৰে নিশা প্ৰায় ১১ বজাত মুকলি কৰি দিয়া হয়। ৯ নৱেম্বৰৰ নিশা ভৰলুমুখত মাৰ্চেল বৰুৱা আৰু কেইজনমান সহযোগীয়ে পথৰ দাঁতিৰ দেৱালত এখন ছবি অংকন কৰিছিল। এই ছবিখনৰ জৰিয়তে সেঁতু নিৰ্মাণৰ নামত ভৰলুমুখৰ গছ কাটিব খোজা কাৰ্যৰ বিৰোধ কৰিছিল। এই চিত্ৰখনত এটা শব্দ 'কিক হিমন্ত চেভ নেচাৰ' লিখা আছিল। পুৱতি নিশা এই ফটো পোহৰলৈ অহাৰ পাছতে পুৱাই চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক আটক কৰা হৈছিল। ভৰলমুখ আৰক্ষী থানাত লগে লগে নিৰাপত্তা বৃদ্ধি কৰি মানুহৰ আহ-যাহ বন্ধ কৰা হয়। চিত্ৰশিল্পী মাৰ্চেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইনে সাক্ষাৎ কৰিবলৈ গৈছিল যদিও আৰক্ষীয়ে থানাত প্ৰৱেশ কৰিবলৈ নিদিলে। চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰাৰ খবৰক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। সামাজিক মাধ্যমযোগে শ-শ লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। দীঘলীপুখুৰীৰ দৰেই ভৰলুমুখত সেঁতু নিৰ্মাণৰ নামত ৮০ জোপা পুৰণি গছ কাটিব খুজিছে চৰকাৰে। ইতিমধ্যে স্থানীয় ৰাইজে বাৰে বাৰে প্ৰতিবাদ কৰি গৈছে। আনহাতে, বিগত ৯ ছেপ্টেম্বৰত গিবন অভয়াৰণ্য ৰক্ষাৰ দাবীত গণেশগুৰি সেঁতুৰ দেৱালত হলৌবান্দৰসহ চিত্ৰশিল্পী মাৰ্চেল বৰুৱাই অংকন কৰিছিল এখন চিত্ৰ। কিন্তু কামৰূপ মহানগৰ জিলা প্ৰশাসনে উক্ত চিত্ৰখন নিশাই মচি পেলাইছিল। গুৱাহাটী মহানগৰীৰ গছ ৰক্ষাৰ বাবে দেৱালত ছবি অংকন কৰাত চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱাক গ্ৰেপ্তাৰ কৰাত বিভিন্ন দল-সংগঠনে বিৰোধ কৰিছে। চৰকাৰৰ এয়া হিটলাৰী আৰু শিল্পীক ঘৃণা কৰাৰ মানসিকতা বুলি অভিযোগ আনে বিভিন্নজনে। একপ্ৰকাৰ দেৱালৰ চিত্ৰক লৈ আতংকিত হৈ পৰিছে চৰকাৰে। দেৱালত অঁকা ছবিক ভয় কৰিবলৈ আৰম্ভ কৰা দিছপুৰৰ চৰকাৰে সেঁতু নিৰ্মাণৰ নামত কাটিব খোজা গুৱাহাটী মহানগৰীৰ গছসমূহৰ ৰক্ষাৰ বাবে দেৱালত প্ৰতীকাত্মক অঁকা চিত্ৰৰ বাবে শিল্পীক সহ্য কৰিব নোৱাৰা হৈছে। এজন চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰাৰ কাণ্ডই তাকেই প্ৰমাণ কৰিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধী কংগ্ৰেছেও। এক বিবৃতিত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কয়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যে নিৰ্জীৱ চিত্ৰলৈয়ো ভয় খায়, সেই কথা জানি আমি আচম্বিত হৈ পৰিছো। পৰিৱেশ সুৰক্ষাৰ শ্ল'গান দিয়া চৰকাৰে গছ কটাৰ বিৰোধিতা কৰা চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰা, তাকো জামিনবিহীন গোচৰ ৰুজু কৰা কাৰ্যৰ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তীব্ৰ গৰিহণা দিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই এক বিবৃতিত আজি কয় যে প্ৰদূষণমুক্ত কৰি অসমক সুৰক্ষিত কৰাৰ শ্ল'গান দিয়া বিজেপি চৰকাৰে গছ কটাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰা ঘটনা গণতন্ত্ৰৰ প্ৰতি এক চূড়ান্ত ভেঙুচালি। দেশৰ সংবিধানে সকলোকে বাক স্বাধীনতা দিছে আৰু চিত্ৰ শিল্পীসকলক নিজৰ তুলিকাৰ মাধ্যমেৰে মনৰ ভাৱ প্ৰকাশ কৰাৰ সুবিধা দিছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈয়ে ৰাইজক সজাগ কৰিবৰ বাবে গছ কটাৰ বিৰুদ্ধে দেৱালত ছবি অংকন কৰিছিল আৰু হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিত সেইটোৰেই হৈ পৰিল ডাঙৰ অপৰাধ। হিটলাৰী শাসন ব্যৱস্থাৰ চূড়ান্ত ৰূপ প্ৰকট কৰি এই দুজন শিল্পীক আজি যিদৰে চৰকাৰে লঘু-লাঞ্চনা কৰিছে সেয়া নজিৰবিহীন। ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা দুয়োজন শিল্পীকে আমি মুকলি কৰি দিয়াৰ আহ্বান জনাইছো আৰু চৰকাৰী নিৰ্যাতনক তীব্ৰ গৰিহণা দিছো। শিল্পী-সাহিত্যিকৰ প্ৰতি সদ্ভাৱ নথকা মুখ্যমন্ত্ৰীক এনেদৰে কঠোৰ ভাষাৰে গৰিহণা দি শিল্পীগৰাকীত মুকলি কৰি দিবলৈ দাবী জনায় ভূপেন বৰাই।

# নিৰ্বাচন খেলিবলগীয়া সাহিত্যিকৰ নাম প্ৰকাশ সাহিত্য সভাৰ

**ই-সংবাদ, ১১ নৱেম্বৰঃ** আজি অসম সাহিত্য সভাই উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ নাম প্ৰকাশ কৰিছে। নিৰ্বাচন কেন্দ্ৰীক দীৰ্ঘ বিতৰ্ক তথা জল্পনা-কল্পনাৰ অন্তত আজি উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া লোকসকলৰ নামৰ প্ৰকাশ পাইছে। উপ-সভাপতি পদত ডাঃ বিপিন চন্দ্ৰ কলিতা, পদুম ৰাজখোৱা, চহিৰ ভূঞাৰ নাম চূড়ান্ত হৈছে। আনহাতে, প্ৰধান সম্পাদক পদত অজিত প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু সঞ্জীৱ শৰ্মাৰ নাম চূড়ান্ত হৈছে। ২০২৫ আৰু ২০২৭ বৰ্ষৰ বাবে উপ-সভাপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত কৰিব সাহিত্য সভাৰ সদস্যসকলে। ৩ নৱেম্বৰ আৰু ৪ নৱেম্বৰত এইসকল লোকে অসম সাহিত্য সভা কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ পৰা মনোনয়ন সংগ্ৰহ কৰিছিল। ৭ নৱেম্বৰ আৰু ৮ নৱেম্বৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰিছিল। স্ক্ৰুটিনিৰ অন্তত আজি নামসমূহ প্ৰকাশ কৰা হয়। জানিব পৰা মতে, উপ-সভাপতি পদৰ বাবে দৰঙৰ চহিৰ ভূঞা, তেজপুৰৰ নৰহৰি চুতীয়া, নলবাৰীৰ ডাঃ বিপিন চন্দ্ৰ কলিতা, নাহৰকটীয়াৰ অজয় সিংহ, নগাঁৱৰ পদুম ৰাজখোৱা, যোৰহাটৰ ডঃ অনিল কুমাৰ শইকীয়াইই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল। প্ৰধান সম্পাদকৰ পদৰ বাবে যোৰহাটৰ দেৱজিত বৰা, নগাঁৱৰ প্ৰান্তিক গোস্বামী, অজিত প্ৰসাদ শৰ্মা আৰু ডঃ সঞ্জীৱ কুমাৰ শমাই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কিংমেকাৰ হ'ব ৰাইজৰ দল!

চনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিছে ৰাইজৰ দলে। আজি শিৱসাগৰ টাই সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ চৌহদত ৰাইজৰ দলে অনুষ্ঠিত কৰা বিশাল গণ সমাৱেশ আৰু যোগদান সমাৰোহৰ পৰাই দলটোৱে বজালে ২০২৬ বিধানসভা নিৰ্বাচনী ৰণডংকা। কেৱল ইমানেই নহয় আগন্তুক বিধানসভা নিৰ্বাচনত ৰাইজৰ দল কিং মেকাৰত পৰিণত হোৱাৰ লক্ষ্যৰে আগবাঢ়িব বুলিও মন্তব্য কৰে সমাবেশৰ মুখ্য অতিথি তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। "বিজেপি, এইআইইউডিএফৰ দৰে সাম্প্ৰদায়িক ৰাজনৈতিক দলক উফৰাই ব্ৰহ্মপুত্ৰত উটুৱাই দিবলৈ আমি সাজু হৈছো। ৰাইজৰ দলে ২৬' ৰ নিৰ্বাচনত চৰকাৰ গঠন কৰিব নোৱাৰিলেও অতি কমেও ২০ খন আসন লাভ কৰিব পৰাকৈ আমি সাজু হৈছো। আমি কিং মেকাৰ হ'ম। যি চৰকাৰেই নহওঁক, ৰাইজৰ দলক উপেক্ষা কৰি চৰকাৰ গঠন কৰিব নোৱাৰিব। ৰাইজৰ দলে বিচৰা মতে চৰকাৰ বাধ্য হ'ব পৰাকৈ আসন লাভ কৰিবলৈ আমি আজিৰে পৰা অভিযান আৰম্ভ কৰিছো।"- জনসভাত ভাষণ প্ৰদান কৰি এই মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। আগন্তুক বিধানসভা নিৰ্বাচনত শিৱসাগৰ সমষ্টিৰ পৰা ৰাইজৰ দলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰাবলৈকো সংকল্প লয় অখিল গগৈৰ লগতে দলীয় সভাত অংশগ্ৰহণকাৰী ৰাইজে। বিজেপিক পৰাভূত কৰিবলৈ সকলো বিৰোধী দল সম্মিলিতভাৱে আগবাঢ়ি যোৱাৰ পোষকতা কৰে যদিও কংগ্ৰেছে উপ-নিৰ্বাচনৰ দৰে বিশ্বাসঘাটকতা কৰিলে সেয়া সম্ভৱ হৈ নুঠিব বুলিও ব্যক্ত কৰে অখিল গগৈয়ে। তেওঁ কয়, "বিজেপিয়ে সকলো দিশতে জনতাক টেঁটু চেপা দিছে। আঁচনিৰ জৰিয়তে হিতাধিকাৰী সৃষ্টি কৰি মাহে যদি ১৫০০ টকা দিছে তেন্তে কৰ কাটলৰ বোজা, বিভিন্ন সামগ্ৰীৰ মূল্য বৃদ্ধি কৰি ৩ হেজাৰ টকা উলিয়াই নিছে। সাধাৰণ জনতাৰ মূৰত মাধমাৰ দি পুঁজিপতিলৈ ৰঙা দলিচা পৰা বিজেপি চৰকাৰক উফৰাবলৈ ৰাইজ সাজু হওঁক।"- ভাষণ প্ৰসংগত এই আহ্বান অখিল গগৈৰ। ছয় জনগোষ্ঠীক জনজাতিকৰণৰ নামতো বিজেপি চৰকাৰে ৰামঠগন দিয়া বুলি ক্ষোভ প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। উক্ত গণ সমাৰেশতে কংগ্ৰেছ, বিজেপি, অসম জাতীয় পৰিষদ, জাতীয় সংগ্ৰামী সেনা অসম আদি বিভিন্ন দল-সংগঠনৰ পাঁচ শতাধিক নেতা-কৰ্মীয়ে ৰাইজৰ দলত যোগদান কৰে। অনুষ্ঠানত উপস্থিত থাকি ৰাইজৰ দলৰ শিৱসাগৰ জিলা সভাপতি মুনিন্দ্ৰ লাহনে শিৱসাগৰ সমষ্টিৰ পৰা ৰাইজৰ দলৰ প্ৰাৰ্থীক অভিলেখ সংখ্যক ভোটত জয়ী কৰাবলৈ এতিয়াৰে পৰা অভিযান আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। এনেদৰেই এতিয়া ২০২৬লৈ সাজু হৈ পৰিছে ৰাইজৰ দল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগানমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

অসমৰ নিম্ন মধ্যবিত্ত, মধ্যবিত্ত, দৰিদ্ৰ, খাটিখোৱা, দিন মজদুৰে এসাজ খাই এসাজৰ বাবে চিন্তা কৰি দিন পাৰ কৰিবলগীয়া হৈছে। মূল্যবৃদ্ধিয়ে সমাজৰ এক শ্ৰেণীৰ লোকক জোকাৰি যোৱাৰ সময়তে জনগণৰ স্বাৰ্থত কিন্তু বিৰোধী দল আৰু জাতীয় সংগঠনসমূহে যেনেদৰে মাত মাতিব লাগিছিল তেনেদৰে মাত মতা পৰিলক্ষিত হোৱা নাই। তাৰ মাজতে সদৌ অসম ছাত্ৰ সন্থাই মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ পণ লৈছে। দুদিন পূৰ্বে অনুষ্ঠিত হোৱা সদৌ অসম ছথাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত মূল্যবৃদ্ধিৰ বিষয়টোক গুৰুত্ব দিয়া হয়। আছুৰে কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে দুটা দিন ৰাজ্য শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লয়। সিদ্ধান্ত মৰ্মে আজি ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ নেতা তথা ৰাজ্যৰ যোগানমন্ত্ৰী ৰণজিৎ দাসৰ প্ৰতিমূৰ্তি দাহ কৰি বিজেপিয়ে সাধাৰণ লোকৰ কল্যাণ সাধনত বিফল হোৱাৰ অভিযোগ আনে। অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাজ্যবাসীক জুৰুলা কৰাত সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে গুৱাহাটী মহানগৰীতো আছুৰে প্ৰতিবাদ সাব্যস্ত কৰে। আজি গুৱাহাটীৰ উজানবজাৰস্থিত এম.জি ৰোডত কেইবা শতাধিক নেতা-কৰ্মী সমবেত হয়। তাৰ পাছতে চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰাজপথত যোগানমন্ত্ৰী ৰণজিৎ দাসৰ প্ৰতিমূৰ্তি হাতত লৈ জুই লগাই লেই লেই ছেই ছেই, মূল্যবৃদ্ধি ৰোধ কৰক, গৰীবক জীয়াই থাকিবলৈ দিয়ক আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত যোগান মন্ত্ৰী ৰণজিৎ দাসৰ পুত্তলিকা দাহ কৰে। মহানগৰীৰ আন আন আঞ্চলিক সমিতিয়েও নিজ নিজ এলেকাত যোগানমন্ত্ৰী ৰণজিৎ দাসৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদ জনায়। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল ডেকাই কয় যে অনিয়ন্ত্ৰিত হাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাৰ পিছতো চৰকাৰৰ কাণসাৰ নাই। ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু যোগান মন্ত্ৰীক সকীয়াই দি শীঘ্ৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ নকৰিলে আন্দোলন তীব্ৰ হ'ব বুলি হুংকাৰ দিয়ে প্ৰঞ্জল ডেকাই। আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আছুৰে মূল্যবৃদ্ধিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি যোগান মন্ত্ৰী ৰণজিৎ দাসৰ প্ৰতিকৃতি দাহ কৰে। মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনাই আছুৰে। ৯ নৱেম্বৰত আছুৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহকত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লৈছিল। আজি প্ৰতিখন আঞ্চলিকে যোগান মন্ত্ৰী ৰণজিৎ দাসৰ পুত্তলিকা দাহ কৰে আৰু ২০ নৱেম্বৰত প্ৰতিখন জিলাৰ সদৰত মূল্যবৃদ্ধি ৰোধৰ বাবে বিক্ষোভ প্ৰদৰ্শন কৰিব আছুৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত সংঘৰ্ষ, নিহত ১১ উগ্ৰপন্থী

ঘটনাত কমেও ১১ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হয়। এই ঘটনাত দুজন চিআৰপিএফ জোৱানো আহত হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, চিআৰপিএফৰ এটা দলে সন্দেহযুক্ত উগ্ৰপন্থীৰ এটা দলৰ সৈতে মুখামুখি হোৱাৰ সময়ত ঘটনাটো সংঘটিত হয়। এই সন্দেহযুক্ত উগ্ৰপন্থীৰ দলটোৱে জিৰিবামৰ জাকুৰাধো অঞ্চলত মেইটেই সম্প্ৰদায়ৰ কেইখনমান দোকানত অগ্নিসংযোগ কৰিছিল। উগ্ৰপন্থীৰ আক্ৰমণৰ সন্মুখীন হোৱা চিআৰপিএফ দলটোৱে প্ৰত্যুত্তৰ দিয়াত ১১ সন্দেহযুক্ত উগ্ৰপন্থীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। অঞ্চলটোত বৰ্তমানো তালাচী অভিযান অব্যাহত ৰাখিছে নিৰাপত্তাৰক্ষীয়ে। আৰক্ষীয়ে জনোৱা মতে, অঞ্চলটোৰ পাঁচজন নাগৰিকো সন্ধানহীন হৈ আছে। সন্ধানহীন নাগৰিকসকলক বিচাৰি উলিওৱাৰ বাবেও অনুসন্ধান অব্যাহত আছে। ইফালে, এই ঘটনাক লৈ সমগ্ৰ অঞ্চলটোত বিৰাজ কৰিছে চেপা উত্তেজনা। স্থানীয় কুকি সংগঠনসমূহে নিহত লোককেইজন উগ্ৰপন্থী নহয় বুলি দাবী কৰিছে। কুকি-জো কাউন্সিলৰ এগৰাকী শীৰ্ষ নেতাই নিউজ নেক্সট ওৱানৰ ইম্ফলৰ প্ৰতিনিধিক জনোৱা মতে নিহত লোককেইজন গাঁও সুৰক্ষা সমিতিৰ লোক আছিল। গাঁও সুৰক্ষা সমিতিৰ লোকক উগ্ৰপন্থী সজাই হত্যা কৰা ঘটনাৰ প্ৰতিবাদত মঙলবাৰে পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ মণিপুৰ বন্ধৰ আহ্বান জনাইছে। উল্লেখ্য যে, শনিবাৰে নিশা মেইটেই সম্প্ৰদায়ৰ অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত এটা দলৰ আক্ৰমণত এগৰাকী কুকি মহিলা নিহত হৈছিল। ইয়াৰ পিছতে কুকি সশস্ত্ৰ লোকে আক্ৰমণ চলাই জিৰিবামত এগৰাকী মেইটেই মহিলাক আক্ৰমণ কৰে। আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনাৰ মাজতে আজি চিআৰপিএফৰ গুলীত ১১ সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হোৱাত ৰাজ্যখনৰ পৰিস্থিতি পুনৰ অগ্নিগৰ্ভা হৈ উঠাৰ আশংকা ঘনীভূত হৈ পৰিছে। এনেদৰে এতিয়া বিগত বৰ্ষৰ মে' মাহৰে পৰা বৰ্তমানলৈকে প্ৰায় ডেৰ বছৰ ধৰি ৰাজ্যখনত অব্যাহত আছে গোষ্ঠীগত হিংসা। এই হিংসাত এতিয়ালৈকে দুয়োটা সম্প্ৰদায়ৰে ২৩০ জনৰো অধিক লোক নিহত হৈছে। আনহাতে, দুয়োটা সম্প্ৰদায়ৰ ৬৫,০০০ ৰো অধিক লোকক গৃহহীন হৈছে, সৰহসংখ্যকেই বৰ্তমানো আশ্ৰয় শিবিৰতে আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পথ দুৰ্ঘটনাত ৰাজ্যত ৮জন নিহত

দুৰ্ঘটনাত ৭ বছৰীয়া ছাত্ৰসহ ৮গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। কাছাৰৰ শিলচৰ-কালাইন পথত একেটা পৰিয়ালৰে ৪গৰাকী লোকসহ মুঠ ৫গৰাকী লোকে একেলগে প্ৰাণ হেৰুৱাইছে। আনহাতে, গোৱালপাৰাৰ কৃষ্ণাইত ৭ বছৰীয়া ছাত্ৰই প্ৰাণ হেৰুৱাইছে। ৰাজ্যত আজিৰ দিনটোত পৃথক পৃথক ৫টা দুৰ্ঘটনাত ৮ গৰাকী লোকে মৃত্যুক আকোৱালি লৈছে। কাছাৰ জিলাৰ শিলচৰ-কালাইন পথৰ ৰাণীঘাটত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। ৰাণীঘাটত বলেৰ' পিকআপ আৰু অটোৰ মাজত লগা সংঘৰ্ষ লাগে। তীব্ৰগতিত অহা বলেৰ' পিকআপ ভানখনে অটোখনক খুন্দামাৰে। ফলত অটোখন চুৰ্চুৰ্মৈ হৈ পৰে। অটোখনত থকা দুগৰাকী মহিলা আৰু তিনিজন পুৰুষসহ ৫গৰাকীকৈ লোকে একেলগে প্ৰাণ হেৰুৱায়। এই সংঘৰ্ষত মুঠ ৫গৰাকী লোক নিহত হয় যদিও চাৰিগৰাকী লোক এটা পৰিয়ালৰে আছিল। স্বামী, স্ত্ৰী জাকিৰ হুছেইন, ৰেজিয়া বেগম, পুত্ৰ-কন্যা ৰেহানা বেগম আমিৰ হুছেইনৰ মৃত্যু হয়। শিলচৰ-কালাইন পথত দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শিলচৰ-কালাইন পথত বালি-ডাম্পাৰ, বলেৰ' পিকআপে আতংকৰ সৃষ্টি কৰি আহিছে। আৰক্ষীয়ে গুৰুত্ব নিদিয়াৰ ফলতে প্ৰায়ে এনে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ইপিনে আজি গোৱালপাৰাৰ কৃষ্ণাইত সংঘটিত এক কৰুণ পথ দুৰ্ঘটনাত ৭ বছৰীয়া ছাত্ৰই প্ৰাণ হেৰুওৱাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে গোৱালপাৰা জিলাত। জিলাখনৰ কৃষ্ণাইত শোকাৱহ পথ এটি ৭ বছৰীয়া ছাত্ৰ আৰুষ ভট্টাচাৰ্য্য নিহত হয়। উদণ্ড চালকে এখন ই-ৰিক্সাৰে খুন্দা মৰাত কৃষ্ণাইৰ জ্যোতিনগৰৰ তথা কৃষ্ণাই পাব্লিক স্কুলৰ ২য় শ্ৰেণীৰ ছাত্ৰ আৰুষৰ মৃত্যু হয়। ফলত কৃষ্ণাই অঞ্চলত শোকৰ ছাঁ পৰিছে। ই-ৰিক্সাৰ খুন্দাত খুন্দাত থিতাতে নিহত এটি ৭ বছৰীয়া ছাত্ৰজন। দুৰ্ঘটনাৰ পিছতে কৃষ্ণাইত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত ৰাইজে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সা চালকে নথিপত্ৰ অবিহনে নীতিনিয়ম নমনাকৈ ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰাৰো অভিযোগ আনে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অভিযোগ মতে, গোৱালপাৰা জিলাত একাংশ নীতি-নিয়ম নমনা বাহন চালকৰ তাণ্ডৱ অব্যাহত আছে। আৰক্ষীয়ে সময়ে সময়ে তালাচী চলাই তেনে চালকক নাকী লগাবলৈ প্ৰয়াস কৰে যদিও এবাৰ তালাচী চলাই দীৰ্ঘদিনলৈ পাহৰি থকাৰ ফলতে জিলাখনত একাংশ চালকে সন্ত্ৰাস সৃষ্টি কৰি গৈছে। আৰক্ষীয়ে তেনে চালকক নিয়ন্ত্ৰণ নকৰাৰ ভয়ংকৰ পৰিনাম আজি দেখা গ'ল। পাঠশালা, দেৰগাঁৱত দুটা পৃথক পথ দুৰ্ঘটনাত আন দুগৰাকী লোক নিহত হৈছে। একেটা দিনতে ৰাজ্যত পথ দুৰ্ঘটনাত ৮গৰাকীকৈ লোক নিহত হোৱাত শোকৰ ছাঁ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# থলুৱা ঠিকাদাৰক ভাতে মাৰিছে চৰকাৰে

কোটি টকা ঠিকাদাৰে বিল আদায় নোপোৱাকৈ থকাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয় অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি জগদীশ ভূঞাই। জগদীশ ভূঞাই আজি দলৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ দুৰ্বল বুলি অভিযোগ উত্থাপন কৰে। লগতে জগদীশ ভূঞাই ঠিকাদাৰসকলক ৰাজ্যৰ অৰ্থনৈতিক অগ্ৰগতিৰ গুৰুত্বপূৰ্ণ স্তম্ভ আখ্যা দি কয় যে চৰকাৰৰ উন্নয়নমূলক কাম-কাজ ঠিকাদাৰসকলৰ জৰিয়তেহে বাস্তবায়িত হয়। ঠিকাদাৰ আৰু যোগনীয়াৰসকলে ধন পালে সেই ধন শ্ৰমিকৰ হাতলৈ যায়। শ্ৰমিকৰ হাতলৈ টকা গ'লে ৰাজ্যৰ অৰ্থনৈতিক চকৰি ঘূৰিবলৈ আৰম্ভ কৰে। কিন্তু বিজেপি দলৰ চৰকাৰে ঠিকাদাৰ আৰু যোগনীয়াৰসকলক বিল আৱণ্টন নিদি পক্ষপাতিত্ব আৰু বঞ্চনা কৰিছে। ঠিকাদাৰসকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰাজ্যখনৰ অৰ্থনীতিৰ অগ্ৰগতিত নেতিবাচক প্ৰভাৱ পৰিছে। চৰকাৰী ঠিকা অৱণ্টনৰ সৈতে কেৱল নিৰ্মাণ আৰু উন্নয়নৰ উদ্দেশ্য জড়িত হৈ নাথাকে। সংস্থাপনো সৃষ্টি হয়। ৰাজ্যৰ ঠিকাদাৰসকলে চৰকাৰী ঠিকাৰ কাম পালে বহু লোকৰ সংস্থাপন, জীৱিকা মুকলি হয়। অসম জাতীয় পৰিষদৰ নেতাগৰাকীয়ে কয় যে এইখন চৰকাৰে ঠিকা আৱণ্টনৰ ইতিহাস প্ৰত্যক্ষ কৰিলে স্পষ্ট যে ৰাজ্যখনৰ বিকাশ আৰু নিবনুৱা সংস্থাপন চৰকাৰৰ উদ্দেশ্যে নহয়। চৰকাৰী বৰঘৰৰ নিৰ্দিষ্ট লোকৰ আৰ্থিক মুনাফাৰ উদ্দেশ্যেহে ঠিকাসমূহ আৱণ্টন দি থকা হৈছে। থলুৱা ঠিকাদাৰসকলক বঞ্চিত কৰা হৈছে। জগদীশ ভূঞাই এইখন চৰকাৰ জনতাৰ চৰকাৰ নহয় বুলি দাবী কৰি কয় যে এইখন চৰকাৰ জনতাৰ চৰকাৰ নহয়। ক্ষমতাৰ শীৰ্ষত আৰোহন কৰি থকাসকলৰ উন্নয়নৰ চৰকাৰ হিচাপে পৰিচিত। প্ৰয়োজনে-অপ্ৰয়োজনে এফালৰ পৰা ফ্লাই অভাৰ আৰু অন্যান্য ধৰণৰ কনষ্ট্ৰাকচন কৰি দিছপুৰত মুকলি কমিচনৰ মেলা বহাইছে। এই কথা ৰাইজে অৱগত। জদগীশ ভূঞাই অসমৰ ঠিকাদাৰৰ সংখ্যা ৰাজহুৱা কৰি কয় যে অসম চৰকাৰৰ ৫৪টা বিভাগত ১ লাখৰো অধিক ঠিকাদাৰ আছে। বেছিখিনি অসমৰ থলুৱা ঠিকাদাৰ। আগতে ঠিকাদাসকলে সৰু-ডাঙৰ চৰকাৰী যোগান বা নিৰ্মাণৰ কাম কৰি লাভ কৰিছিল। ৰাজ্যত সংস্থাপনৰ পথ মুকলি হৈছিল। কিন্তু বিজেপিয়ে এইসকল ঠিকাদাৰক কাম নিদিয়াত নিবনুৱা হৈছে। ঠিকা বিতৰণ ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰি ভূঞাই আৰু কয় যে পূৰ্বৰ চৰকাৰৰ দিনত উন্নয়ন আৰু সংস্থাপন দুয়োটা কথাক লক্ষ্য কৰা হৈছিল। আগতে একেটা ঠিকাৰ কাম কেইবাজনো ঠিকাদাৰৰ মাজত ভগাই দিয়া হৈছিল। নেতাগৰাকীয়ে উদাহৰণ দাঙি ধৰি পূৰ্বে যদি প্ৰকল্প বা আঁচনিৰ ঠিকাৰ পৰিমাণ ৫ কোটি টকা আছিল। সেই ৫ কোটি টকাৰ ঠিকা ৫জন ঠিকাদাৰক ১ কোটিকৈ ভগাই দিয়া হৈছিল। পাঁচজন ঠিকাদাৰৰ কামৰ সৈতে এশজনকৈ লোকে জড়িত হৈ পৰিলেও ৫০০ মানুহ উপকৃত হৈছিল। কিন্তু এতিয়া সেই দিন নাই। ৫ কোটি টকীয়া ১০ টা প্ৰকল্প বা আঁচনি একত্ৰিত কৰি ৫০ কোটি টকা নিৰ্ধাৰণ কৰি নিৰ্দিষ্ট এজন ঠিকাদাৰক ঠিকা আৱণ্টন দিয়া হয়। আৱণ্টনত নিৰ্দিষ্ট বহিৰাগত ঠিকাদাৰক অগ্ৰাধিকাৰ দিয়া হয়। কেৱল ঠিকা আৱণ্টন দিয়াতে থলুৱা ঠিকাদাৰসকলক বৈষম্য কৰা হোৱা নাই। যিকেইজন থলুৱা ঠিকাদাৰে কাম পাইছে সেইসকলক বিল আদায় দিয়া নাই বিজেপি চৰকাৰে। ঠিকাদাৰসকলৰ সৈতে জড়িত আন হাজাৰ হাজাৰ যোগনীয়াৰ, শ্ৰমিক, দোকানী, গাড়ীৰ মালিক আৰু চালক প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। অসম জাতীয় পৰিষদৰ নেতাগৰাকীয়ে সাংবাদমেলত দাবী কৰা মতে, বঞ্চনাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে বজাৰত। অৰ্থনৈতিক অগ্ৰগতিৰ চকৰি স্তব্ধ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা এটা গোচৰৰ কথা উল্লেখ কৰি ভূঞাই কয় যে জনস্বাস্থ্য কাৰিকৰী আৰু কেইটামান বিভাগত কাম কৰা ঠিকাদাৰসকলৰ ২২ হাজাৰ কোটি টকা অনাদায় হৈ আছে। কেগৰ প্ৰতিবেদনত ২২ হাজাৰ কোটি টকা ঠিকাদাৰসকলক আদায় নিদিয়াত চৰকাৰক সমালোচনা কৰা হৈছে। ধনৰ অভাৱত ভাৰত চৰকাৰে জল জীৱন মিচন আঁচনিৰ কাম বন্ধ ৰাখিছে। দিছপুৰৰ আশীষ থকা কেইগৰাকীমান নিৰ্দিষ্ট ঠিকাদাৰে সৰহভাগ কামো পাইছে, বিলো আদায় পাইছে। মুখ্যমন্ত্ৰীৰ অধীনত থকা লোকনিৰ্মাণ পথ বিভাগত মাত্ৰ ৩ গৰাকী ঠিকাদাৰে সৰহভাগ কামৰ আৱণ্টন আৰু বিলৰ পোৱাৰ অভিযোগ আনি ভূঞাই চৰকাৰক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। দাস, শৰ্মা আৰু সিংঘী উপাধিৰ তিনি ঠিকাদাৰে ২০১৬ চনৰ ১ মে'ৰ পৰা ২০২৪ বছৰৰ মাৰ্চ মাহলৈ ৮,৭৯৮ কোটি টকাৰ ঠিকা লাভ কৰিছে বুলি দাবী কৰিছে ভূঞাই। দাস উপাধিৰ ঠিকাদাৰগৰাকীয়ে ২,১৭১.৪৩ কোটি, শৰ্মা উপাধিৰ ঠিকাদাৰগৰাকীয়ে ১,৮২২.২৫ কোটি আৰু সিংঘী উপাধিৰ ঠিকাদাৰগৰাকীয়ে ৪,৮০৪.৬২ কোটি টকাৰ ঠিকা লাভ কৰিছে বুলি দাবী কৰিছে ভূঞাই। এনেদৰে আজি চৰকাৰৰ বিৰুদ্ধে তথ্যসহকাৰে সৰৱ হৈ পৰে আজাপ নেতাজন।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পলাশবাৰী কঁপালে খিলঞ্জীয়া কৃষক

বসুন্ধৰাৰ নামত দুৰ্নীতি কৰা নচলিব, ৰায়তীক উচ্ছেদ কৰা নচলিব আদি ধ্বনিৰে আজি পলাশবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত নিখিল ভাৰত কৃষক সভা আৰু সংগ্ৰামী কৃষক শ্ৰমিক সংঘৰ বৰদুৱাৰ বাগান আঞ্চলিক সমিতিয়ে ৰায়তী ভূমিৰ মালিকীস্বত্ব বিচাৰি পলাশবাৰী ৰাজহ চক্ৰৰ কাৰ্যালয় চৌহদত উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰায়তী ভূমিৰ মালিকীস্বত্ব আৰু আবণ্টন প্ৰাপ্ত ভূমিৰ ম্যাদিপট্টাৰ পৰা বঞ্চিত কৃষক শ্ৰমিকসকলে প্ৰথমে পলাশবাৰী আৰ বি উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত সমবেত হৈ হাতে হাতে বেনাৰ পোষ্টাৰ, ফেষ্টুন আদি লৈ বিভিন্ন শ্ল'গান দি মিৰ্জাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ হৈ আহি পলাশবাৰী ৰাজহ চক্ৰত উপস্থিত হয়। পিছত প্ৰতিবাদকাৰীসকলৰ কাষত পলাশবাৰী ৰাজহ চক্ৰ বিষয়া মানৱজ্যোতি দাস উপস্থিত হোৱাত প্ৰতিবাদকাৰীসকলৰ হৈ কৃষক শ্ৰমিক সংঘৰ সভাপতি দীনেশ দাসে কৃষক শ্ৰমিক ৰাইজৰ এই সমস্যাৰ কথা ক্ষোভেৰে প্ৰকাশ কৰে। তেওঁ 'ৰায়তী আইন, ৭১ অনুসৰি ৰায়তসকলক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ চৰকাৰক দাবী উত্থাপন কৰে। লগতে পলাশবাৰী থানাত ৰজু হোৱা গোচৰ (গোচৰ নং-১৬২ এম/২০২৪) বাতিল কৰি ৰায়তসকলক সকাহ প্ৰদান কৰা, আবণ্টন প্ৰাপ্ত ভূমি আৰু ভোগদখলীকৃত ভূমিৰ উপযুক্ত জৰীপেৰে ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ দাবী উত্থাপন কৰে। এই প্ৰতিবাদত কৃষক নেতা অনিল বড়ো, অসম ৰাজ্যিক কৃষক সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক জয়ন্ত গগৈ, এই প্ৰতিবাদৰ সমৰ্থক অধিবক্তা কৃষ্ণ গগৈ উপস্থিত থাকি ৰায়তী আইন, বসুন্ধৰা, কৃষকৰ দীৰ্ঘদিনীয় সমস্যাৰ বিষয়ে কয়। উল্লেখ যে, পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰদুৱাৰ মৌজাৰ কোৱাপাৱা গাঁৱৰ ৩০ টা অঞ্চলৰ প্ৰায় ৬০ বিঘা ভূমিৰ পৰা জমীদাৰী প্ৰথাৰে চৰকাৰে ৰায়তক উচ্ছেদ কৰিব বিচাৰাৰ প্ৰতিবাদত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। এক বিবৃতিত উল্লেখ কৰে যে অঞ্চলটোৰ পূৰ্বপুৰুষে প্ৰায় এশৰো অধিক বছৰ ভোগ-দখল কৰি থকা ভূমি ৰাইজে গম নোপোৱাকৈ সুবেনী গ্যান মিলৰ স্বামী কৰ্নেলৰ পৰা আদবৰ কছাৰী নামৰ ব্যক্তি এজনে ক্ৰয় কৰে। সেই সময়ত পূৰ্বপুৰুষ ৰায়তসকলক কোনোধৰণে জ্ঞাত কৰা হোৱা নাছিল। পূৰ্বপুৰুষে প্ৰায় এশৰো অধিক বছৰ দখল ভোগ-দখল কৰি থকা ভূমি ৰাইজে গম নোপোৱাকৈ সুবেনী গ্যান মিলৰ স্বামী কৰ্নেলৰ পৰা আদবৰ কছাৰী নামৰ ব্যক্তি এজনে ক্ৰয় কৰে। সেই সময়ত পূৰ্বপুৰুষ ৰায়কসকলক কোনোধৰণে জ্ঞাত কৰা হোৱা নাছিল। আজি প্ৰায় ৬০ বছৰ পিছত আদবৰ কছাৰীৰ পুত্ৰই জমীদাৰী প্ৰথা দেখুৱাই আৰু ৰাইজক উচ্ছেদৰ ভয় দেখুৱাই পলাশবাৰী আৰক্ষী থানাত ১৬২ এম/২০২৪ এটি ভুৱা গোচৰ তৰে। বৰ্তমানেও এই বিচাৰ আদালতত চলি আছে। উল্লেখ্য যে মাটিৰ মালিকক নিয়ম অনুসৰি দীৰ্ঘদিন ধৰি ৰায়তসকলে খাজানা আদায় দি আহিছে। সেয়ে দখলকাৰী ৰায়তসকলৰ ওপৰত বে-আইনীভাৱে উচ্ছেদৰ ষড়যন্ত্ৰ চলোৱা তথা ভুৱা গোচৰ তৰি হাৰাশাস্তি কৰা লক্ষী বড়ো কছাৰী (পিতা-আদৰ কছৰী)ৰ ওপৰত ন্যায়িক তদন্ত চলোৱাৰ দাবী জনায়। পুনৰ এই বৰদুৱাৰ অঞ্চলৰে ১৯৯২ চনত প্ৰায় ৬০ ৰো অধিক পৰিয়ালে ভোগদখলীকৃত ভূমিৰ আবণ্টন পাবলৈ সক্ষম হৈছে। কিন্তু দুখৰ কথা, আজি সুদীৰ্ঘ ৩২ বছৰে আবণ্টন প্ৰাপ্ত ভূমিৰ ম্যাদী পট্টা পাবলৈ সক্ষম নহ'ল। সেয়ে এই ভূমিৰ শীঘ্ৰে ম্যাদী পট্টা পোৱাৰ ব্যৱস্থা কৰাৰো দাবী উত্থাপন কৰে কৃষক নেতা দীনেশ দাসে। তদুপৰি বৃহত্তৰ বৰদুৱাৰ বাগানৰ ভোগদখলকাৰী কৃষি আৰু বস্তি ভূমিৰ উপযুক্ত জৰীপ কৰি থলুৱা জনজাতি-অজনজাতি লোকসকলক ভূমি অধিকাৰ প্ৰদান কৰাৰ দাবীত পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মানৱজ্যোতি দাসৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। চক্ৰ বিষয়াগৰাকীয়ে সকলো তথ্য বিচাৰ-বিবেচনা কৰি উচিত ৰায় প্ৰদান কৰা হ'ব বুলি মন্তব্য প্ৰকাশ কৰি প্ৰতিবাদ কাৰীসকলক আশ্বাস প্ৰদান কৰে। ভুক্তভোগী লোকসকলে যদি এই প্ৰতিবাদৰ পিছত কোনোধৰণৰ সুফল লাভ নকৰে তেন্তে পৰৱৰ্তীসময়ত জিলা আয়ুক্তৰ কাৰ্যালয়তো প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি ব্যক্ত কৰে প্ৰতিবাদকাৰীসকলে। লগতে পলাশবাৰীৰ ল'ৰামতীয়া বিধায়ক হেমাংগ ঠাকুৰীয়াই ৰাইজক বিভিন্ন সময়ত ভূমি পট্টা প্ৰদান কৰিব বুলি দিয়া আশ্বাস ফুটুকাৰ ফেনত পৰিণত হোৱা বুলি ক্ষোভ উজাৰে বহুসংখ্যক প্ৰতিবাদকাৰীয়ে। আজিৰ এই প্ৰতিবাদত সংগ্ৰামী কৃষক-শ্ৰমিক সংঘ বৰদুৱাৰ বাগান সমিতিৰ সভাপতি ৰাজেন ৰাভা, কাৰ্যকৰী সভাপতি ৰাছু ৰাভা, সম্পাদক পূৰ্ণ ৰাভা, কৃষক নেতা দেৱজিত চৌধুৰীকে ধৰি বহুকেইজন কৃষক নেতা, বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখ যে, ৰাভা হাছঙৰ অন্তৰ্গত বৰদুৱাৰ বাগান অঞ্চলৰ এই কৃষক শ্ৰমিকসকলৰ দুখৰ দিনতো খবৰ নৰখা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাকে ধৰি একাংশ নেতাৰ কাৰ্যত দুখ প্ৰকাশ কৰে। টংকেশ্বৰ ৰাভাই যদি এইসকল মানুহৰে খবৰ নাৰাখে, তেন্তে কাৰ খবৰ ৰাখিব বুলি ৰাইজে ক্ষোভ প্ৰকাশ কৰে।

# চামগুৰিৰ ভৰাগুৰিৰ ৰেলীত ভৱেশ কলিতাৰ অংশগ্ৰহণ

**ই-সংবাদ, পুৰণিগুদাম, ১১ নৱেম্বৰঃ** ৰাজ্যত পাঁচটাকৈ বিধানসভা সমষ্টিত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনৰ আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগা সমষ্টি সমূহৰ এক আকৰ্ষণীয় সমষ্টি চামগুৰিত আজি প্ৰচাৰ অভিযানৰ সামৰণি দিনটোত কংগ্ৰেছ আৰু বিজেপি দলৰ কৰ্মীসকলে নিজৰ শক্তি প্ৰদৰ্শনৰ বাবে ৰেলী বাহিৰ কৰে। বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ উপৰিও কংগ্ৰেছৰ প্ৰাৰ্থী তানজিল হুছেইনে নিজে ৰেলীত অংশগ্ৰহণ কৰে। বিশেষকৈ বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই সমষ্টিৰ অধীনৰ ভৰাগুৰি গাঁও পঞ্চায়তত ৰেলীত অংশগ্ৰহণ কৰে। পঞ্চায়তটোৰ এলেকাধীন ভোটাৰ ৰাইজ একত্ৰিত হৈ পঞ্চায়তটোত এক বৃহৎ ৰেলী বাহিৰ কৰে আৰু এই ৰেলীত ৰাজ্যিক সভাপতি গৰাকীৰ উপৰিও বিধায়ক বিশ্বজিৎ ফুকন, বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি বাবুল বৰা আৰু কেইবাগৰাকী বিজেপিৰ দলৰ শীৰ্ষ নেতা উপস্থিত থাকে। চামগুৰি সমষ্টিৰ অধীনৰ কমসংখ্যক ভোটাৰ থকা পঞ্চায়ত হোৱাৰ পিছতো বিজেপি দলৰ কৰ্মীসকলে পঞ্চায়তটোত নিজৰ স্থিতি শক্তিশালী কৰিবলৈ উঠি-পৰি লগাৰ বাবে পঞ্চায়ত ভিত্তিত ৰেলীত বিজেপি দলৰ বৃহৎ সংখ্যক উপস্থিতিয়ে বিজেপি দলৰ স্থিতি পঞ্চায়তটোত যে শক্তিশালী তাকে প্ৰমাণিত কৰিলে। ইফালে, ৰেলীত অংশগ্ৰহণ কৰিবলৈ আহি বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই কয়, অসমত পাঁচটাকৈ সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু এই পাঁচটা সমষ্টিত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়লাভ কৰাটো নিশ্চিত। চামগুৰি সমষ্টিৰ ৰাইজৰ লগত ৰেলিত অংশগ্ৰহণ কৰিবলৈ পাই পৰম ভাগ্য বুলি উল্লেখ কৰি পঞ্চায়তৰ প্ৰতিগৰাকী ভোটাৰক ১৩ নৱেম্বৰৰ পুৱা বিজেপিৰ পদুম ফুলৰ চিনত ভোট দি দিপ্লুৰঞ্জন শৰ্মাক জয়ী কৰাবলৈ আহ্বান জনায় ইফালে, সমষ্টিৰ অধীনৰ ৫,০১২ গৰাকী চাহ জনজাতি ভোটাৰেৰে প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰা আমলখি গাঁও পঞ্চায়তত আজি প্ৰচাৰ অভিযানৰ সামৰণিৰ দিনটোত বিজেপিৰ ৰেলী বাহিৰ কৰি ভোটাৰক আকৰ্ষিত কৰা দেখা যায়। পঞ্চায়তটোৰ দায়িত্বত থকা সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ লগত সাংবাদিকৰ হোৱা কথা-বতৰাত তেওঁ কয় যে, বিজেপি চৰকাৰ খনে চাহ জনজাতি লোকৰ উন্নয়নৰ কাৰণে যথেষ্ট কাম কৰিছে। চামগুৰি সমষ্টিৰ প্ৰচাৰ অভিযানত অংশ ল'বলৈ আহি মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মাই অসম চাহ নিগমৰ অধীনৰ আমলখি চাহ বাগিচাৰ শ্ৰমিকৰ মজুৰি ২৫০ টকা ঘোষণা কৰিছে আৰু এই মজুৰি জানুৱাৰী মাহৰ পৰা লাভ কৰিব বুলি ঘোষণা কৰিছে। এইটোয়ে আন ব্যক্তিগত চাহ বাগিছাৰ শ্ৰমিকৰ মজুৰিৰ লগত তুলনা কৰি প্ৰদান কৰাটোয়ে চাহ শ্ৰমিকসকলক উৎসাহিত কৰিছে বুলি উল্লেখ কৰাৰ লগতে চাহ শ্ৰমিকসকলে উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী গৰাকীক জয়লাভ কৰাব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, চামগুৰি সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী ঘোষণা কৰাৰ পিছত দিপ্লুৰঞ্জন শৰ্মাই পঞ্চায়তে-পঞ্চায়তে নিজৰ পৰিচয়েৰে জয়লাভ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ পিছত কেইবাগৰাকী মন্ত্ৰী বিধায়কক মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব অৰ্পণ কৰাত সকলোৰে পঞ্চায়তে-পঞ্চায়তে প্ৰাৰ্থীগৰাকীক জয় লাভ কৰাবলৈ উঠিপৰি লগা দেখা যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংখ্যালঘুৰ ভোট ল'বলৈ বিজেপিৰ

ৰাজনীতিত। বিশেষকৈ সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা ধলাই, চামগুৰি আৰু বিহালী সমষ্টিটোত নিজকে সংখ্যালঘুৰ ত্ৰাণকৰ্তা বুলি দাবী কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই সাধাৰণ দিনত সংখ্যালঘুৰ বিৰুদ্ধে উচটনিমূলক মন্তব্য প্ৰদান কৰি অহা বিজেপিৰ নেতা-মন্ত্ৰীসকলে। চামগুৰি সমষ্টিত দলটোৱে ৰাজনৈতিক মানদণ্ডৰ সীমা চেৰাই নামনি অসমৰ পৰা শুকুৰ আলীৰ দৰে 'জক্কাৰ' সদৃশ নেতাক আমদানি কৰি সংখ্যালঘুৰ ভোট আদায়ৰ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ মাজতে বিহালী সমষ্টিত বিধায়ক পদ্ম হাজৰিকা আৰু ধলাই সমষ্টিত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সংখ্যালঘু ৰাইজক দেখদেখকৈ ব্লেকমেইল কৰা পৰিলক্ষিত হৈছে। বিহালীত পদ্ম হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপিয়ে সংখ্যালঘু ৰাইজৰ হৈ কাম কৰিছে বুলি দাবী কৰাৰ লগতে কেমেৰাৰ আঁৰত বিজেপিক ভোট নিদিলে সংখ্যালঘু লোকসকলে উচ্ছেদৰ সন্মুখীন হ'ব লাগিব বুলি ভাবুকি প্ৰদান কৰাৰ খবৰ পোৱা গৈছে। আনহাতে ধলাই সমষ্টিত মন্ত্ৰী জয়ন্তমল্লই ভোট বিচাৰি মুকলিভাৱে ভয়-ভাবুকি প্ৰদান কৰিছে সাধাৰণ ৰাইজক। ভোট নিদিলে ৰেচন কাৰ্ড কটা যাব আৰু অৰুণোদয় নাপাব বুলি মন্ত্ৰীজনে ৰাজহুৱা সভাত ঘোষণা কৰে। মন্ত্ৰী জয়ন্তমল্লই আনকি এইবুলিও কয় যে বিজেপিয়ে যদি অধিক ভোট লাভ নকৰে তেতিয়াহ'লে অৰুণোদয়ৰ নামত অহা ফাইলত অভিভাৱক মন্ত্ৰী হিচাপে তেওঁ চহী নকৰে। জামালপুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি জয়ন্তমল্লই কয় যে যোৱা লোকসভা নিৰ্বাচনত এই এলেকাৰ পৰা ২৭৫৮টা ভোট লাভ কৰিছিল। এইবাৰ যদি ভোটৰ সংখ্যা বৃদ্ধি নাপায় তেতিয়াহ'লে অৰুণোদয় কৰ্তন কৰিব চৰকাৰে। অভিভাৱক মন্ত্ৰী হিচাপে তেওঁ কোনো ফাইলতে চহী নকৰে বুলি ৰাইজক ব্লেকমেইলিং কৰা আৰম্ভ কৰিছে মন্ত্ৰীজনে। ইয়াৰ পূৰ্বেও ধলাই সমষ্টিত মন্ত্ৰীজনে সংখ্যালঘু ৰাইজক কাম-বন পাবলৈ হ'লে বিজেপিক ভোট দিবলৈ দাবী জনাইছিল। সকলোৰে প্ৰতি সমভাৱ দেখুওৱাৰ সাংবিধানিক শপত লোৱা মন্ত্ৰীজনৰ এনে বৈষম্যমূলক আচৰণক অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। মন্ত্ৰীৰ এই অসাংবিধানিক কাম-কাজ দেশৰ গণতন্ত্ৰৰ বাবে চূড়ান্ত ভাবুকি বুলি উল্লেখ কৰে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। সাধাৰণ ৰাইজক ভোট বিচৰাৰ নামত ব্লেকমেইলিং কৰাটো নিৰ্বাচনী আচৰণ বিধিৰ পৰিপন্থী বুলি উল্লেখ কৰি বিষয়টো নিৰ্বাচন আয়োগৰো দৃষ্টিগোচৰ কৰে। বৰাই কয় যে, ধলাই সমষ্টিত বিজেপিৰ প্ৰাৰ্থীজনৰ শোচনীয় পৰাজয় নিশ্চিত হোৱাৰ পিছতে নিজৰ গাদী ৰক্ষাৰ স্বাৰ্থত জয়ন্তমল্ল বৰুৱাই নিজৰ সাংবিধানিক মৰ্যাদাৰ কথা পাহৰি পেলাইছে। অসাংবিধানিক কাম-কাজত জড়িত মন্ত্ৰীজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈকো বৰাই আয়োগক আহ্বান জনাইছে। ইফালে, বিহালীত সংখ্যালঘুৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হোৱা পদ্ম হাজৰিকাই ভীমাজুলিৰ নৰসংহাৰৰ কথা কৈ মানুহক আভুৱা ভৰাৰ লগতে দ্বিচাৰিতাৰ আশ্ৰয় লোৱা দেখা গৈছে। সমষ্টিটোৰ ভীমাজুলি এলেকাত নৰসংহাৰ কৰি বাতৰিৰ শিৰোনাম দখল কৰা এনডিএফবিৰ নেতা সংবিজিতক লগত লৈ কাৰ্বি আংলঙৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে বিহালী বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। সংবিজিত সেই সময়ত এনডিএফবিৰ দুৰ্ধৰ্ষ এজন নেতা আছিল আৰু তেওঁৰ নেতৃত্বতে উত্তৰ অসমত কেবাটাও নাৰকীয় হত্যাকাণ্ড সংঘটিত হৈছিল। বিহালী আৰু বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত গ্ৰাম্যাঞ্চলত সংবিজিতৰ নেতৃত্বত চলোৱা হিংসাত্মক কাৰ্যকলাপৰ বিষয়ে এইবাৰ চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই বিহালীৰ উপ-নিৰ্বাচনৰ প্ৰচাৰত ইছু হিচাপে লৈছিল আৰু কংগ্ৰেছ চৰকাৰৰ আমোলত এই নৰ সংহাৰ হোৱাৰ কথা সভাই-সমিতিয়ে কৈ ফুৰিছিল। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ চলাই থকাৰ সময়তে ভীমাজুলি কাণ্ডৰ খলনায়ক সংবিজিতক লৈ তুলিৰাম ৰংহাঙে বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত ভয়-ভাবুকিৰে ভোট বিচৰা আৰম্ভ কৰিছে। আজি সংবাদ মাধ্যমৰ আগত বিধায়ক পদ্ম হাজৰিকাই তুলিৰাম ৰংহাঙে সংবিজিত লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা কথাটো অস্বীকাৰ কৰা বুলি উল্লেখ কৰিছে যদিও অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তথ্য সহকাৰে পদ্ম হাজৰিকাৰ মিথ্যাচাৰ উদঙাই দিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰে আজি এক বিবৃতিত কয় যে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ ইএম প্ৰভাত চন্দ্ৰ তাৰুই যোৱা ২৭ অক্টোবৰত নিজৰ ফেচবুক পেজত বিহালীত উপ-নিৰ্বাচন চলোৱাৰ কথা ৰাজহুৱা কৰিছে আৰু এই প্ৰচাৰত সংবিজিতেও সংগ দিয়া বুলি উল্লেখ কৰে। তুলিৰাম ৰংহাঙৰ সোঁহাত স্বৰূপ কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্যজনে তেওঁৰ সতীৰ্থ মধুৰাম লেকথে, বিধায়ক দৰ্শি ৰংহাং, লংসিং তকবি আৰু সংবিজিতৰ সৈতে বিহালীত দ্বিতীয় দিনৰ বাবে প্ৰচাৰ চলোৱাৰ কথা সদৰী কৰি সামাজিক মাধ্যমত দিয়া এই পোষ্টটো মুখ্যমন্ত্ৰী, মন্ত্ৰী পীযুপষ হাজৰিকা আৰু তুলিৰামকো টেগ কৰি দিছে। বিবৃতিটোত কোঁৱৰে কয় যে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ বিধায়ক পদ্ম হাজৰিকাই ৰাইজক বিভিন্ন আভুৱা ভৰা কথা কৈছে আৰু নিম্ন পৰ্যায়ৰ ৰাজনীতি কৰি ক্ষমতা দখলৰ অপচেষ্টা চলাইছে। অপপ্ৰচাৰ আৰু ভয়-ভাবুকিৰে বিজেপিয়ে পুনৰ ক্ষমতা দখলৰ যি চেষ্টা চলাইছে সেয়া অত্যন্ত গৰিহণাৰ যোগ্য বুলি তেওঁ উল্লেখ কৰে। ইফালে, বিধায়ক পদ্ম হাজৰিকাই বিহালী সমষ্টিৰ অন্তৰ্গত বাঘমাৰী এলেকাত বিজেপিক ভোট নিদিলে সংখ্যালঘু ৰাইজক পুনৰ উচ্ছেদ কৰা হ'ব বুলি ব্লেকমেইলিং কৰিছে। বিধায়কজনে এই কামত একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীকো জড়িত কৰাৰ অভিযোগ উঠিছে। সংখ্যালঘু লোকৰ ওপৰত নিৰ্মম অত্যাচাৰ চলোৱা পদ্ম হাজৰিকাই এনেদৰে এতিয়া বাঘমাৰীত সংখ্যালঘুৰ ত্ৰাণকৰ্তা হিচাপে থিয় দিয়াৰো অভিযোগ উঠিছে।

# চামগুৰিত বিকল্প বিচাৰিছে ৰাইজে, ক'লে আপৰ প্ৰাৰ্থী নুৰুলে

**ই-সংবাদ, পুৰণিগুদাম, ১১ নৱেম্বৰঃ** শাসক-বিৰোধীৰ ৰথী-মহাৰথীৰ উপস্থিতিয়ে নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন বিশেষ আকৰ্ষণীয়তাৰ মাজেৰে আজি প্ৰচাৰ অভিযান সামৰণি পৰিল। অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় হৈ পৰিছিল চামগুৰি বিধানসভা সমষ্টি। সুদীৰ্ঘ ২৩ টা বছৰ ধৰি কংগ্ৰেছ প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ দখলত থকা চামগুৰি সমষ্টিৰ পূৰ্বৰ ৰাজনৈতিক প্ৰেক্ষাপট এইবাৰ পৃথক ৰূপ লোৱা পৰিলক্ষিত হৈছে। চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছ আৰু বিজেপি দলে নিৰ্বাচনী প্ৰচাৰ কাৰ্য চলোৱাৰ সমান্তৰালভাৱে আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড° নুৰুল আমিন চৌধুৰীয়ে চামগুৰি সমষ্টিৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়।চামগুৰিৰ বৰমা অঞ্চলৰ আম আদমী পাৰ্টিৰ কাৰ্যালয়ত আজি চামগুৰি উপ- নিৰ্বাচনৰ আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড° নুৰুল আমিন চৌধুৰী, আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ, ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক যুটীয়া সম্পাদক মিতালী গগৈ, ৰাজ্যিক তত্বাৱধায়ক ৰুদ্ৰাংকুৰ হাজৰিকা, নগাঁও জিলা সভাপতি চুমি বৰা, উপ- সভাপতি চৌমিক সেনগুপ্তা, ৰাজ্যিক সম্পাদক অল্লান হাতীবৰুৱাকে ধৰি বহুকেইজন নেতা উপস্থিত থাকে। আম আদমী পাৰ্টিৰ মনোনীত প্ৰাৰ্থী ড° নুৰুল আমিন চৌধুৰীয়ে আজি সংবাদ মাধ্যমৰ আগত চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইনক কঠোৰ সমালোচনা কৰে। আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ড° নুৰুল আমিন চৌধুৰীয়ে সংবাদ-মাধ্যমৰ আগত কয় যে, চামগুৰিত নিৰ্বাচনৰ সময়ত বা নিৰ্বাচনৰ পিছত কংগ্ৰেছে সৰ্বসাধাৰণ জনতাক অত্যাচাৰ কৰি আহিছে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলৰ একাংশ লোকৰ ঘৰৰ পৰা গৰু-ছাগলী লৈ যোৱাৰ অভিযোগ আছে।গতিকে এইবাৰ নিৰ্বাচনৰ পিছত শান্তি প্ৰতিষ্ঠা হ'ব চামগুৰি সমষ্টিত। এইবাৰ যদি মই জয়লাভ কৰো তেতিয়া হ'লে চামগুৰি সমষ্টিৰ ৰাষ্টা-ঘাট উন্নত কৰাৰ লগতে শৈক্ষিক পৰিবেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিম বুলি আম আদমী পাৰ্টিৰ প্ৰাৰ্থীগৰাকীয়ে সংবাদ- মাধ্যমৰ আগত মন্তব্য কৰাৰ লগতে আৰু কয় যে, বৰ্তমান চামগুৰিবাসী ৰাইজ নীৰৱ হৈ আছে। কাৰণ এইবাৰ পৰিয়াল কেন্দ্ৰীক ৰাজনীতি আৰু অশান্তিৰ ৰাজনীতিৰ পৰা ওলাই আহি এইবাৰ চামগুৰিৰ ৰাইজে বিকল্প বিছাৰিছে। ৰকিবুল হুছেইন এণ্ড কোম্পানীয়ে চামগুৰিত যি সন্ত্ৰাস চলাই আহিছে এইবাৰ চামগুৰি সমষ্টিৰ ৰাইজে অৱসান ঘটাব বিছাৰিছে। চামগুৰি সংখ্যালঘু বসতি প্ৰধান অঞ্চলৰ কোনো লোকে যদি কংগ্ৰেছত ভোট নিদিয়ে তেতিয়াহ'লে ঘৰ ভাঙি গৰু-ছাগলী লৈ যায়। মানুহৰ যি স্বাধীনতা সেয়া খৰ্গ হৈছে। গতিকে তাৰ বিকল্প চামগুৰি সমষ্টিৰ ৰাইজে বিছাৰিছে বুলি আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ড° নুৰুল আমিন চৌধুৰীয়ে সংবাদ-মাধ্যমৰ আগত মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৰাণ-মটকৰ বন্ধত স্তব্ধ তিনিচুকীয়া

দাবীত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে আহবান জনোৱা তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ প্ৰভাৱ দুয়োখন জিলাতে সৰ্বাত্মক হৈ পৰা পৰিলক্ষিত হয়। পুৱাৰে পৰা তিনিচুকীয়া জিলাৰ কেৰাঠাইতো টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনদ্বয়ৰ নেতা-কৰ্মীয়ে। পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ আহবান জনোৱা ১২ ঘণ্টীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী-প্ৰশাসনে একপ্ৰকাৰৰ কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলে যদিওঁ পুৱাৰ ভাগতেই ৰাজপথত টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে অসমৰ আদিম ভূমিপুত্ৰ মৰাণ-মটকসকলৰ শীৰ্ষ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ নেতা-কৰ্মীয়ে। পুৱাই তিনিচুকীয়াৰ ফৰ্‌লেনযুক্ত পথত সংগঠনদ্বয়ৰ নেতা-কৰ্মীয়ে টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে জিলা শীৰ্ষ আৰক্ষীৰ এটি দলে উক্ত স্থানত উপস্থিত হৈ প্ৰতিবাদকাৰী সংগঠনদ্বয়ৰ নেতা-কৰ্মীক এক প্ৰকাৰৰ ছত্ৰভংগ দিবলৈ কেইবাজাই গুলী শূন্যলৈ বুলি নিক্ষেপ কৰে। এগৰাকী অতিৰিক্ত আৰক্ষী অধীক্ষকে উক্ত গুলীচালনাৰ ঘটনা সংঘটিত কৰে। অধীক্ষকগৰাকীয়ে প্ৰতিবাদকাৰী সংগঠনদ্বয়ৰ নেতা-কৰ্মীৰ সৈতে বাক-বিতণ্ডাতো লিপ্ত হ'য়। উক্ত ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে জিলাখনত। ঘটনাৰ পাছতে তিনিচুকীয়া চহৰৰপৰা পৰা কিছু নিলগত অৱস্থিত বৰগুৰিস্থিত তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখৰ উপৰিও তিনিচুকীয়া বাইপাছ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পানীতোলাতো টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ নেতা-কৰ্মীয়ে। জনজাতিকৰণ আমাক লাগিবই, জনজাতিকৰণ আমাৰ জন্মগত অধিকাৰ, জনজাতিকৰণৰ নামত প্ৰতাৰণা সহ্য কৰা নহ'ব, নো এছটি নো ৰেষ্ট, মৰাণ-মটক জিন্দাবাদ, মৰাণ ঐক্য জিন্দাবাদ, নৰেন্দ্ৰ মোদী মূৰ্দাবাদ, জুৱেল ওৰাম মূৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ, কেন্দ্ৰীয় চৰকাৰ হায়! হায়, অসম চৰকাৰ হায়! হায় আদি শ্লো'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনদ্বয়ে। তিনিচুকীয়া চহৰৰ সমান্তৰালকৈ ডুমডুমাৰ ৰাজপথতো টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদকাৰীসকলে। কাকপথাৰ, ডিগবৈকে আদি কৰি সৰ্বত্ৰে টায়াৰ জ্বলাই প্ৰতিবাদত নামে সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে। উল্লেখ্য যে, জনজাতিকৰণৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে যৌথভাৱে আহবান জনোৱা উক্ত বন্ধৰ সময়চোৱাত নাগৰিকৰ সাংবিধানিক অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে কালি এক নিৰ্দেশনাযোগে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপেৰে বন্ধ ৰোধ কৰিবলৈ এক প্ৰকাৰৰ দমন নীতি অৱলম্বনেৰে আৰক্ষীক সন্তম তথা সাজু কৰি ৰখাৰ সময়তে আৰক্ষী প্ৰশাসনৰ বাধা-নিষেধাজ্ঞাকো অকণো কেৰেপ নকৰি খোদ জিলাখনৰ মুৰব্বীগৰাকীৰ কাৰ্যালয়ৰ সন্মুখতে সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ নেতা-কৰ্মীয়ে টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি আৰক্ষী-প্ৰশাসনৰ এক প্ৰকাৰৰ ফোঁপোলা স্বৰূপটোক খোদ জিলাৰ প্ৰাণকেন্দ্ৰস্থলীতেই উদঙাই দিবলৈ সক্ষম হোৱাটোৱে বিশেষ চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। গুৰুত্বপূৰ্ণ কথা এয়ে যে জিলা প্ৰশাসনে আজিৰ এই বন্ধৰ প্ৰতি লক্ষ্য ৰাখি হেল্পলাইন নম্বৰ প্ৰৱৰ্তনৰ উপৰিও জিলাৰ প্ৰতিখন আৰক্ষী থানাতে দুজনকৈ কাৰ্যবাহী দণ্ডাধীশক দায়িত্ব অৰ্পণ কৰিছিল জিলা আয়ুক্তই। সেই অনুসৰি, এচিএছ বিষয়া তথা অতিৰিক্ত জিলা দণ্ডাধীশ জাভেদ আৰমান আৰু এচিএছ, কাৰ্যবাহী দণ্ডাধীশ তথা তিনিচুকীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হিমাদ্ৰী বৰাক তিনিচুকীয়া আৰক্ষী থানাৰ এলেকাত, এ চি এছ তথা কাৰ্যবাহী দণ্ডাধীশ আৰু সহঃ আয়ুক্ত মধুৰিমা দিহিঙীয়া আৰু বন্বী কুমাৰী (এ চি এছ, সহঃ আয়ুক্ত আৰু কাৰ্যবাহী দণ্ডাধীশ) ক বৰডুবি আৰক্ষী থানাৰ এলেকাত, জয়দ্বীপ ৰজক (অসম ভূমি ৰাজহ সেৱাৰ বিষয়া, চক্ৰ বিষয়া, শদিয়া ৰাজহ চক্ৰ)ক মাকুম আৰু বাৰেকুৰি আৰক্ষী থানাৰ এলেকাত, মঞ্জিত দলে (এ চি এছ, সহঃ আয়ুক্ত আৰু কাৰ্যবাহী দণ্ডাধীশ : ডুমডুমা সম-জিলা) ক ডুমডুমা আৰক্ষী থানাৰ এলেকাত, সুদীপ গগৈ ( এ চি এছ, সহঃ আয়ুক্ত আৰু কাৰ্যবাহী দণ্ডাধীশ: ডুমডুমা সম-জিলা ) ক কাকপথাৰ আৰক্ষী থানাৰ এলেকাত, নৱজ্যোতি চহৰীয়া ( অসম ভূমি ৰাজহ সেৱাৰ বিষয়া, চক্ৰ বিষয়া আৰু কাৰ্যবাহী দণ্ডাধীশ : ডুমডুমা ৰাজহ চক্ৰ) ক বাঘজান আৰু টঙনা আৰক্ষী থানাৰ এলেকাত আৰু ভাৰতী বৰা (অসম ভূমি ৰাজহ সেৱাৰ বিষয়া, চক্ৰ বিষয়া, অতিৰিক্ত) আৰু কাৰ্যবাহী দণ্ডাধীশ: ডুমডুমা ৰাজহ চক্ৰ) ক ফিল'বাৰী আৰক্ষী থানাৰ এলেকাত নিয়োগ কৰিছিল জিলা আয়ুক্তই। চৌদিশে আৰক্ষী-নিৰাপত্তাৰক্ষী-কাৰ্যবাহী দণ্ডাধীশে গিজিগিজাই থকা অভেদ্য নিৰাপত্তা বেষ্টনী ফালি প্ৰতিবাদকাৰী সংগঠনদ্বয়ৰ নেতা-কৰ্মীয়ে পুৱাৰ ভাগত ৰাজপথৰ লগতে কেইবাস্থানত টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি জনজাতিকৰণ প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী জুৱেল ওৰাম আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে সৰৱমুখৰ হৈ পৰে। মৰাণ-মটক সকলকে আদি কৰি ৰাজ্যৰ ছয় জনগোষ্ঠীক অচিৰেই জনজাতিৰ স্বীকৃতি প্ৰদান নকৰিলে দল-সংগঠনৰ লগতে জিলাখনৰ চুকে-কোণে বসবাস কৰা মৰাণ-মটক ৰাইজৰ সহযোগত ভয়াবহ তথা জংগী আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে। আজিৰ বন্ধৰ কাৰ্যসূচীৰ পৰা চিকিৎসা সেৱা, শিক্ষানুষ্ঠান, খোৱা-পানী আৰু অতি জৰুৰীকালীন সেৱাসমূহক ৰেহাই দিয়া হৈছিল যদিওঁ তিনিচুকীয়া জিলাত বন্ধৰ সৰ্বাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ইফালে, মটক আৰু মৰাণ জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত আজি পুৱা ৫ বজাৰ পৰা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন আৰু সদৌ অসম মৰাণ ছাত্ৰ সন্থাই আহ্বান জনোৱা বন্ধ কাৰ্যসূচীৰ ফলত স্তব্ধ হৈ পৰে ডিব্ৰুগড় জিলা। বিশেষকৈ ডিব্ৰুগড় মহানগৰত দুই-এখন জৰুৰী যান-বাহনৰ বিপৰীতে ৰাজপথত যান-বাহনৰ চলাচল প্ৰায়ে বন্ধ হৈ পৰে। সমান্তৰালভাৱে বিত্তীয় প্ৰতিষ্ঠানকে ধৰি চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহো সম্পূৰ্ণৰূপে বন্ধ হৈ থাকে। একেদৰে বন্ধ হৈ থাকে মহানগৰীৰ আটাইকেইখন ব্যৱসায়ীক প্ৰতিষ্ঠান। চাবুৱাৰ পৰা মটক আৰু মৰাণ জনগোষ্ঠীয় সংগঠনৰ নেতা-কৰ্মীসকলে ডিব্ৰুগড় মহানগৰ অভিমুখে এক বিশাল বাইক ৰেলী উলিয়ায়। লাহোৱালৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতিবাদকাৰীসকলে টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ইফালে বাইক ৰেলীৰে প্ৰতিবাদ কৰা প্ৰতিবাদকাৰী সকলক প্ৰশাসনৰ ফালৰ পৰা ১৪৪ ধাৰাৰ দোহাই দি আৰক্ষীয়ে বাধা প্ৰদানৰ চেষ্টা কৰে যদিও আৰক্ষীৰ বাধাকো নেওচি মহানগৰৰ মাজমজিয়াত প্ৰতিবাদী কাৰ্যসূচী বাহিৰ কৰে। আনকি আৰক্ষীৰে খণ্ডযুদ্ধৰো সৃষ্টি হয় প্ৰতিবাদকাৰীসকলৰ। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত কৰা মন্তব্যৰ বিৰুদ্ধে উজনিৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত মটক জনগোষ্ঠীয় সংগঠনসমূহে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, উপ-সভাপতি অজয় গগৈ, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁইয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক কঠোৰ ভাষাৰে তীব্ৰ সমালোচনা কৰে। বিজেপি চৰকাৰে মটক-মৰাণৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ নামত কৰি অহা প্ৰতাৰণা কোনো কাৰণতে সহ্য কৰা নহ'ব। নিৰ্বাচন আহিলেই জনজাতিকৰণৰ প্ৰসংগ উল্লেখ কৰি প্ৰতিশ্ৰুতিৰ নামত প্ৰতিশ্ৰুতি দি আহে শাসকগোষ্ঠীয়ে। ২০২৫ চনৰ ভিতৰত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নহ'লে বিজেপিক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে। অন্যহাতে সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰাই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে, মটক আৰু মৰাণ জনগোষ্ঠীয়ে জনজাতিকৰণৰ নামত পুনৰ আন্দোলন কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক। বিজেপি চৰকাৰে শাসনৰ গাদীত বহাৰ প্ৰাক্কক্ষণত অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এই প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। পৰৱৰ্তী সময়ত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিলে চৰকাৰে। অৱশ্যে মডেলিটি প্ৰস্তুত কৰিলে যদিও সেই মডেলিটি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাখিল নকৰিলে। জনজাতিকৰণৰ সদিচ্ছা এই চৰকাৰখনৰ নাই। ৰাজনৈতিক পাশাখেলত জনগোষ্ঠীটোক বঞ্চিত আৰু শোষিত কৰিব যদি বিচাৰে তেনেহ'লে পুনৰ মোৱামৰীয়া বিদ্ৰোহ ঘোষণা কৰিব বুলিও সকীয়নি প্ৰদান কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিংসা, তৰ্জন-গৰ্জন, বাকযুদ্ধৰে

অনুষ্ঠিত হোৱা ৫ সমষ্টিৰ ভিতৰত অধিক চৰ্চা লাভ কৰা দেখা গৈছে চামগুৰি আৰু বিহালী সমষ্টিয়ে। বিহালী সমষ্টিটোত টিকট প্ৰদানৰ ৰাজনীতিয়ে সকলোৰে মাজত চৰ্চা লাভ কৰাৰ বিপৰীতে চামগুৰি সমষ্টিৰ নিৰ্বাচনী হিংসাই সমগ্ৰ ৰাজ্যবাসীকে বহু কথাই নতুনকৈ ভাবিবলৈ বাধ্য কৰাইছে। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনা আটাইকেইটা সমষ্টিতে কংগ্ৰেছ, বিজেপি তথা আন দলসমূহৰ প্ৰাৰ্থীসকলে ভোটাৰক নিজৰ ফলীয়া কৰিবলৈ শেষ চেষ্টা চলোৱা পৰিলক্ষিত হয়। নগাঁও জিলাৰ চামগুৰি সমষ্টিত উপ-নিৰ্বাচনৰ মূল প্ৰতিদ্বন্দ্বী ৰাজনৈতিক দল বিজেপি আৰু কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টি আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলেও সমষ্টিটোৰ ১ লাখ আশী হাজাৰ ৮৬২ গৰাকীৰ অধিক ভোটাৰ ৰাইজৰ সমৰ্থন আদায়ৰ বাবে আজি শেষ প্ৰচেষ্টা অব্যাহত ৰখা পৰিলক্ষিত হয়। বিজেপি দলৰ নিৰ্বাচিত প্ৰাৰ্থী তথা ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাই আজি পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা, কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকাসহ দলৰ সংখ্যাধিক কৰ্মী- সমৰ্থকক লগত লৈ চামগুৰি পঞ্চায়তত পদযাত্ৰা কৰে। চামগুৰি সমষ্টিৰ ভেলেউগুৰি গাঁও পঞ্চায়তৰ হেমাৰবড়িৰৰ পৰা চামগুৰি তিনিআলিলৈকে প্ৰায় ৩ কিলোমিটাৰ পথ পদযাত্ৰা কৰি ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। সমান্তৰালভাৱে বিজেপিৰ কৰ্মী-সমৰ্থকসকলে চামগুৰি সমষ্টিৰ বিভিন্ন পঞ্চায়তে-পঞ্চায়তে বাইক ৰেলী কৰি দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী চলাই প্ৰচাৰ চলোৱাৰ লগতে ভোটাৰ ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। আনহাতে, কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে একমাত্ৰ পুত্ৰ তাঞ্জিল হুছেইনক নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ দিনৰাতি একাকাৰ কৰা পৰিলক্ষিত হয়। আজি নগাঁও জিলাৰ চামগুৰি সমষ্টিত চামগুৰিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ উপস্থিতিত কংগ্ৰেছ দলৰ বহু সংখ্যক কৰ্মী-সমৰ্থকে সমষ্টিটো বিভিন্ন অঞ্চলত ৰেলী কৰি ভোটাৰ ৰাইজক আকৰ্ষণ কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰ কাৰ্য সামৰণি মাৰে। উল্লেখ্য যে, কংগ্ৰেছ দলৰ ৰেলীটো চামগুৰি সমষ্টিৰ অন্তৰ্গত কাৰৈমাৰী অঞ্চলত প্ৰৱেশ কৰাৰ সময়তে “ৰকিবুল হুছেইন গ’ বেক, তানজিল হুছেইন মুৰ্দাবাদ” ধ্বনিৰে পৰিৱেশ উত্তাল হৈ পৰে। জানিব পৰা মতে, হেৰাপট্টি, চোট হয়বৰগাঁৱৰ নিবাসী তথা চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ নিৰ্বাচনৰ নিৰ্দলীয় প্ৰাৰ্থী মোছাব্বিৰ আলী আহমেদৰ সমৰ্থকে ৰকিবুল হুছেইন গ’ বেক, তাঞ্জিল হুছেইন গ’বেক ৰকিবুল হুছেইন মুৰ্দাবাদ” ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে।আনহাতে, চামগুৰি সমষ্টিৰ অন্তৰ্গত বাঘবৰালিত যোৱা নিশা এগৰাকী কংগ্ৰেছ কৰ্মীৰ বাসগৃহত ৰখাই থোৱা এখন গাড়ী কোনো অচিনাক্ত দুৰ্বৃত্তই শিলগুটি দলিয়াই বিস্তৰ ক্ষতিসাধন কৰে। সমষ্টিটোত নিৰ্বাচনী হিংসা পুনৰ সংঘটিত নহ’বলৈ আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী আজিৰে পৰা সন্তম হৈ পৰিছে আৰু সমষ্টিটোত থকা ১৯৭ টা ভোটকেন্দ্ৰত যাতে ভোটদানৰ ক্ষেত্ৰত ৰাইজৰ কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয় তাৰপ্ৰতিও জিলা প্ৰশাসনে সম্পূৰ্ণ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে। ইফালে, চিদলী বিধানসভা সমষ্টি (জনজাতি সংৰক্ষিত)ৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি শান্তিপূৰ্ণভাৱে সামৰণি পৰে। শাসক, বিৰোধী উভয়পক্ষৰ বাকযুদ্ধৰ অন্তত নিজম পৰিল নিৰ্বাচনী প্ৰচাৰ অভিযান। নিৰ্বাচনী প্ৰচাৰ অভিযান অন্ত পৰাৰ লগে লগে আহি নিশাৰে পৰা আৰম্ভ হ’ব শেষ নিশাৰ খেল। মিত্ৰজোঁটৰ দাবী অনুসৰি তেওঁলোকৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম কমেও ৫০ হাজাৰ ভোটৰ ব্যৱধানত জয়ী হ’ব। আনহাতে বিপিএফৰ দাবী অনুসৰি ৮০ হাজাৰ ভোটৰ ব্যৱধানত জয়ী হ’ব বিপিএফৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰী। দুয়োপক্ষই নিজৰ বিজয় সন্দৰ্ভত দৃঢ় স্থিতি গ্ৰহণ কৰাৰ বিপৰীতে কংগ্ৰেছৰ স্থিতি দুৰ্বল দেখা গৈছে। মূলত খেলখন ইউপিপিএল আৰু বিপিএফৰ মাজতে সীমাবদ্ধ হৈ থকাটো নিশ্চিত হৈছে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা শাসকীয় দলৰ সমান্তৰালে বিপিএফ দলৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীয়ে কোকৰাঝাৰ জিলাৰ ছালাকাটি পৰিষদীয় সমষ্টিৰ ঢোলমাৰা, নাদাংগুৰী, লাতাগাও, জৰেগাঁও, কুৰ্শাকাৰ্টি আৰু চম্পানগৰ ইত্যাদি অঞ্চলত একেৰাহে কেবাখনো নিৰ্বাচনী সভাত অংশ লৈ উন্নয়ন আৰু সম অধিকাৰৰ স্বাৰ্থত বিপিএফ দলক ভোট দিবলৈ আহ্বান জনাইছে । চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত ৮০ হাজাৰ ভোটৰ ব্যৱধানত তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ইউপিপিএলৰ প্ৰাৰ্থীক হৰুৱাব বুলি দাবী কৰি চিদলীৰ উপ নিৰ্বাচনত বিৰোধী কংগ্ৰেছৰ কোনো নাম-গোন্ধ নাই বুলি মন্তব্য আগবঢ়াইছে বিপিএফৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীয়ে । ৰাইজ বিপিএফ দলৰ সতেই আছে কিয়নো ৰাইজে ভালকৈ দেখিছে যে হাগ্ৰামা মহিলাৰীৰ তিনিটা কাৰ্যকালৰ উন্নয়ন আৰ প্ৰমোদ বড়োৰ চাৰি বছৰৰ কাৰ্যকাল। প্ৰমোদ বড়ো কেৱল দিছপুৰৰ শ্ৰুতলিপিত চলি আছে আৰু কোনোধৰণৰ উন্নয়ন কৰিবলৈ সমৰ্থ হোৱা নাই বুলি দাবী কৰি শুদ্ধ বসুমতাৰীয়ে কয় যে ইভিএমৰ কেৰামতালি নহলে এশ শতাংশই তেওঁৰ বিজয় নিশ্চিত। ইপিনে চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ অন্তিম দিনা আজি মোজাবাৰীত বিপিএফ দলৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ দল বিক্ৰী হৈছে বুলি গুৰুতৰ অভিযোগ কৰিছে। বিপিএফ দলৰ ভোট কাটিবলৈ ইউপিপিএল দলৰ পৰা কংগ্ৰেছৰ মানুহে টকা লৈছে বুলি শুনিছো বুলি মন্তব্য কৰি বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কয় যে এই উপ-নিৰ্বাচনত প্ৰমোদ বড়োই যদি আৰক্ষী-প্ৰশাসনক ব্যৱহাৰ কৰি যদুহে কোনো ধৰনৰ গণ্ডগোল নকৰে তেনেহ’লে চিদলী বিধানসভা সমষ্টিত বিপিএফ দলৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীৰ বিজয় নিশ্চিত বুলি দাবী কৰিছে হাগ্ৰামা মহিলাৰীয়ে। আনহাতে ইউপিপিএফৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে ভাৰত-ভূটান সীমান্তৰ পৰা আৰম্ভ কৰি চিদলী বিধানসভা সমষ্টিৰ কেবাঠাইতো নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ বিজয় নিশ্চিত আৰু ইয়াত মিত্ৰজোঁটৰ সন্মুখত কোনো প্ৰতিদ্বন্দ্বী নাই বুলি মন্তব্য কৰে। ১৭ বছৰীয়া অপশাসন অন্ত পৰাৰ পিছত জনসাধাৰণে এতিয়াহে শান্তি -নিৰাপত্তা আৰু উন্নয়ন দেখিছে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে এই ধাৰা অব্যাহত ৰাখিবলৈ ভোটাৰ ৰাইজে মিত্ৰজোঁটৰ প্ৰাৰ্থীকে ভোট দিব বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। উল্লেখ্যে যে চিদলী বিধানসভা সমষ্টিত কোকৰাঝাৰৰ জিলাৰ এটা অংশ সোমাই আছে। কোকৰাঝাৰ জিলাৰ কালিপুখুৰী, ঢোলমাৰা, নাদাংগুৰী, লাটাগাঁও, জৰেগাঁও, কুৰ্শাকাৰ্টি, ছালাকাটি অঞ্চলত ৩০-৩৫ হাজাৰ ভোট আছে আৰু এইখিনিয়েই নিৰ্ণায়ক ভোট বুলি বিবেচিত হৈছে। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ৩০-৩৫ হাজাৰ ভোট হস্তগত কৰিবলৈ ইউপিপিএলৰ কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে নিৰ্বাচন ঘোষণা কৰাৰ পূৰ্বৰে পৰা চেষ্টা অব্যাহত ৰাখিছে আৰু কিছু পৰিমানে সফল হৈছে। অৱশ্যে ইয়াৰ মাজতে দুষ্টচক্ৰই কালিপুখুৰী অঞ্চলত কোচ-ৰাজবংশীক প্ৰতাৰণা কৰাৰ অভিযোগত বিজেপি, ইউপিপিএল আৰু অগপক ভোট প্ৰদান নকৰিবলৈ আহ্বান জনাইছে। এনে এক পৰিৱেশৰ মাজতে কালিপুখুৰী এলেকাত অগপৰ সভাপতি অতুল বৰা, ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়ো আদিকে ধৰি মিত্ৰজোঁটৰ বহু নেতাই ইউপিপিএল তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কৰিছে।

# লাহৰীঘাটৰ জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী সামৰণি

**ই-সংবাদ, লাহৰীঘাট, ১১ নৱেম্বৰঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিভাগৰ অধীনস্থ লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ আজি পুৱা সামৰণি পৰে। ৯ নৱেম্বৰৰ পৰা দুদিনীয়াকৈ জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা মহাৰজত জয়ন্তী উৎসৱটিৰ লগত সংগতি ৰাখি কালি পুৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত হয় জামাদাৰী অঞ্চল। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। শোভাযাত্ৰাটোত তিৱা, বড়ো, বাগানীয়া, জিকিৰ-জাৰি, সত্ৰীয়াৰ উপৰি মাছুৱৈ, নাঙল-যুঁৱলি আদি অসমীয়া কৃষ্টি-সংস্কৃতিৰে উপচাই তোলা দৃশ্যই বৃহত্তৰ অঞ্চলটোৰ হাজাৰ হাজাৰ দৰ্শকক বিমুগ্ধ কৰি তোলে। ছাত্ৰ কৃষ্ণকাম বৰদলৈ সৌজন্যত চিত্ৰশিল্প কৰ্মশালা এটি অনুষ্ঠিত হয়। আনহাতে, আবেলি 'এটি এটি ক্ষণ যেন মুকুতাৰে ধন' শীৰ্ষক মুকলি সভাখন সঞ্চালনা কৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি বিপিন চন্দ্ৰ বৰদলৈয়ে। সভাখনত বিধায়ক ৰমাকান্ত দেউৰী, মুখ্য বক্তা তথা তিৱা সাহিত্য সভাৰ মুখ্য সম্পাদক ড০ বিদ্যুৎ বিকাশ সেনাপতিয়ে তিৱা সম্প্ৰদায়ৰ জাতীয় কলা-সাংস্কৃতিৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে 'প্ৰজ্ঞা' নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰি তিৱা সম্প্ৰদায়ৰ সম্পৰ্কে ভাষণ আগবঢ়ায়। একেদৰে আন গৰাকী মুখ্য বক্তা তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ ৰাতুল ডেকাই শিক্ষা উত্তৰণত প্ৰাথমিক বিদ্যালয়ৰ ভূমিকা সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ইয়াৰোপৰি পৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰাই বৰ্তমান সময়ৰ যুৱ উচ্ছৃংখলতাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাখনত তিৱা স্বায়ত্ত পৰিষদৰ জামাদাৰী সমষ্টিৰ সদস্য দুলাল ব্ৰহ্ম, যুৱ নেতা নিৰ্মল কোঁৱৰ, অগপৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰাজেন বৰা, ৰাজেন সেনাপতি, কেশৱ ডেকা, বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক গন্ধৰ্ব কোঁৱৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পিছত নিশা অনুষ্ঠিত হোৱা গণশিল্পী মহেন্দ্ৰ হাজৰিকা আৰু প্ৰাৰ্থনা বৰঠাকুৰৰ সংগীতানুষ্ঠানেৰে আজি পুৱা কাৰ্যসূচীৰ সামৰণি পৰে। ইয়াৰ পূৰ্বে ৯ নৱেম্বৰত বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ, লোকনাথ হাজৰিকা সোঁৱৰণী আদৰণি তোৰণ, বিদ্যালয়ৰ নৱনিৰ্মিত নৃপেন দেউৰী সোঁৱৰণী স্থায়ী তোৰণৰ দ্বাৰ উন্মোচন কৰা হয়। এইবেলি ৭৭ সংখ্যক বৰ্ষত উপনীত হৈছে। সেই উপলক্ষে মহাৰজত জয়ন্তীৰ মূল পতাকাৰ লগতে বিদ্যালয়ৰ পতাকাসহ ৭৭ খনকৈ পতাকা স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা উত্তোলন কৰা হয়।

## শতাধিক সংখ্যালঘু মহিলা-পুৰুষৰ অংশগ্ৰহণ

# বিহালীৰ বাঘমাৰীত বিধায়ক পদ্ম হাজৰিকাৰ বিশাল পদযাত্ৰা




**ই-সংবাদ, বিশ্বনাথ, ১১ নৱেম্বৰঃ** ১৩তাৰিখে ভোট দান সাব্যস্ত কৰাৰ পিছত ২৩ তাৰিখে ফলাফল ঘোষণা কৰিব আৰু ডিচেম্বৰৰ পৰা বাঘমাৰী অঞ্চলৰ ৰাস্তা ঘাটৰ নিৰ্মানৰ কাম আৰম্ভ হ'ব লগতে সংখ্যালঘু অঞ্চলৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিব বিজেপি চৰকাৰে। - এই মন্তব্য বিধায়ক পদ্ম হাজৰিকাৰ। আজি অন্তিম নিৰ্বাচনী প্ৰচাৰ অভিযানত বিহালীৰ বাঘমাৰিৰ সংখ্যালঘু অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই এখন সভাত এই মন্তব্য কৰে বিধায়ক জনে। তেওঁ কয় যে কংগ্ৰেছ চৰকাৰৰ দিনতে শোণিতপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক গুলজাৰ হুছেইনক গুলীয়াই হত্যা কৰিছিল। অসমৰ লগতে বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত উগ্ৰপন্থীৰ দপদপনি আছিল, মানুহৰ নিৰাপত্তা সুনিশ্চিত নাছিল। কিন্তু বিজেপি চৰকাৰ অহাৰ পিছৰ পৰাই অসমত শান্তি প্ৰতিষ্ঠা হৈছে, শান্তি শৃংখলা ঘূৰি আহিছে।কংগ্ৰেছৰ কটা হাতত ভোট দি ভুল নকৰিবলৈ বিধায়ক পদ্ম হাজৰিকাই ৰাইজক আহবান জনায়। বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰ তথা বিজেপিক এবাৰ বিশ্বাসত লৈ ভোট দি জয় যুক্ত কৰিবলৈ আহবান জনায় বিধায়ক পদ্ম হাজৰিকাই। ইফালে বিজেপিয়ে সংখ্যালঘু অঞ্চল বাঘমাৰীত প্ৰচাৰ অভিযান চলেৱাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী জয়ন্ত বৰাই বৰগাঙত উলিয়ায় বাইক ৰেলী । বিশেষকৈ আজি প্ৰচাৰ অভিযানৰ অন্তিমটো দিন আৰু এই অন্তিম দিনটোত ৰণডংকা বজোৱাত ব্যস্ত হৈ পৰে প্ৰতিটো ৰাজনৈতিক দলৰ কৰ্মী আৰু প্ৰাৰ্থী।

# মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত তামুলপুৰত আছুৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, তামুলপুৰ, ১১ নৱেম্বৰঃ** ৰাজ্যত সংঘটিত অবাধ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে সদৌ তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আঞ্চলিক ছাত্ৰ সন্থাসমূহে নিজ নিজ অঞ্চলত যোগান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰতিমূৰ্তি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তামুলপুৰ জিলাৰ কুমাৰীকাটাত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ডুলুজিৎ দাসৰ নেতৃত্বত এই প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিমূৰ্তি দাহ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে যোগান বিভাগ হুচিয়াৰ, অসম চৰকাৰ হায় হায়, ৰণজিৎ দাস মুৰ্দাবাদ, মুখ্যমন্ত্ৰী হুচিয়াৰ আদি শ্ল'গানেৰে আকাশ-বতাহ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীৰ পৰা আছু ৰাজ্যিক কাৰ্যনিৰ্বাহকগৰাকীয়ে অতি শীঘ্ৰে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ আহ্বান জনায়। ৰণজিৎ কুমাৰ দাসৰ নিচিনা অকৰ্মণ্য মন্ত্ৰী অসমৰ ইতিহাসতে বিৰল বুলি তেওঁ অভিহিত কৰে। অসমৰ ৰাইজৰ মেৰুদণ্ড ভাঙি দিয়া এই মূল্যবৃদ্ধি আগন্তুক দিনত ৰোধ নহ'লে পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰে। আনহাতে, কুমাৰীকাটাৰ লগতে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাইও একেই দাবীৰে আকাশ-বতাহ উত্তাল কৰি তোলে। তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি অনুপ কলিতাৰ উপস্থিতিত এই কাৰ্যসূচীটো ৰূপায়ণ কৰা হয়। একেদৰেই দক্ষিণ ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাই গান্ধীবাৰীত, পূব ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাই নাওকাটাত, উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাই জিলা ছাত্ৰ সন্থাৰ সম্পাদক নয়নজ্যোতি কলিতাৰ নেতৃত্বত মহৰিপাৰাত, গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ সন্থাই গোৰেশ্বৰত এই কাৰ্যসূচী ৰূপায়ণ কৰি যোগান মন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰে।

# ছিপাঝাৰত গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ উদযাপন

**ই-সংবাদ, ছিপাঝাৰ, ১১ নৱেম্বৰঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা শাখাৰ অন্তৰ্গত হাজৰিকাপাৰা আঞ্চলিক শাখাৰ উদ্যোগত তথা কছাৰীঝাৰ লুইতপৰীয়া প্ৰাথমিক শাখাৰ সহযোগত ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কছাৰীঝাৰ লালবাহাদুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ ভাগি উদযাপন কৰা হয়। সেই উপলক্ষে প্ৰথম দিনা পুৱাৰ পৰা ক্ৰমে পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাম প্ৰসংগ, ভাগৱত পাঠ, বন্তি প্ৰজ্বলন আৰু সন্ধিয়া আই মাতৃৰ সামূহিক দিহা নামেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনা পুৱা প্ৰভাত ফেৰীৰে আৰম্ভ হোৱা কাৰ্যসূচী ক্ৰমে পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা আৰু নাম প্ৰসংগৰ অন্তত দুপৰীয়া আঞ্চলিক শাখাৰ সভাপতি হৰেশ্বৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি ধৰ্মালোচনা সভা। আঞ্চলিক শাখাৰ সম্পাদক ফুলেন্দ্ৰ ডেকা আৰু আদৰণি সমিতিৰ সভাপতি বীৰেন্দ্ৰ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা তথা আঁত ধৰা সভাখন উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ উপদেষ্টা তাৰিণী চহৰীয়াই। সংঘৰ প্ৰচাৰক মণিৰাম দাসে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি এটি তত্ব গধুৰ আধ্যাত্মিক ভাষণ প্ৰদান কৰে। শ্ৰীমন্ত শংকৰদেৱৰ সংঘ হাজৰিকাপাৰাৰ আঞ্চলিক সেৱা বাহিনীৰ প্ৰাক্তন অধিনায়িকা সুকন্যা সজাতি যুৱ বক্তা হিচাপে উপস্থিত থাকি বাগ্মিতাৰে ভাষণ প্ৰদান কৰি উপস্থিত ৰাইজক মুগ্ধ কৰে। সভাখনত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ দৰং জিলা শাখাৰ সভাপতি হৰেশ্বৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সন্ধিয়া ধৰ্মধ্বজা অৱতৰণ, বন্তি প্ৰজ্বলন আৰু নিশা মহিলাৰ নাগাৰা নাম প্ৰদৰ্শনেৰে গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ সামৰণি পৰে।



ঝাৰখণ্ডত অসম মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক উষ্ম আদৰণি, ফটো শনিবাৰৰ

## মুখ্যমন্ত্ৰীয়েও কিডনী সংস্থাপনৰ বাবে কৰিছিল সহায়

# কিডনী বিকল হৈ জুপাংবাৰীৰ বিন্দু ৰাভাৰ মৃত্যু

**ই-সংবাদ, মিৰ্জা, ১১ নৱেম্বৰঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত জুপাংবাৰী নিৱাসী বিন্দু ৰাভা(২৯)ই প্ৰায় দুবছৰপৰা কিডনী বিকল হৈ চিকিৎসা চলাই থাকি আজি অৱশেষত তেওঁ মৃত্যুক আঁকোৱালি লয়। উল্লেখ যে, বিন্দু ৰাভাই বৰঝাৰস্থিত লোকপ্ৰিয় আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰৰ ইণ্ডিকোৰ, লডাৰত কিছুদিন কৰ্মচাৰী হিচাপে কাম কৰিছিল। দুখৰ বিষয়, এই ৰোগত আক্ৰান্ত হৈ তেওঁ চিকিৎসাধীন অৱস্থাত থাকে যদিও এই কৰ্তৃপক্ষৰ পৰা বিশেষ সুবিধা পোৱা পৰিলক্ষিত নহ'ল। যোৱা ছয়মাহৰ পৰা তেওঁ জিএমচিএইচত চিকিৎসা কৰি দিশহাৰা হৈ আজি মৃত্যুক আঁকোৱালি লয়। দুখীয়া বিন্দু ৰাভাৰ চিকিৎসাৰ নামত ইতিমধ্যে পৰিয়ালবৰ্গই ভূমি, সাঁচতীয় ধন, পত্নীৰ গহণা-পাতি, গৰু বিক্ৰী কৰি পোৱা ধনৰ লগতে বিভিন্ন লোকৰ পৰা ধাৰলৈ অনা ধন খৰচ কৰি চিকিৎসা চলাই গৈয়ো সুফল নাপালে। আজিলৈকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাকে ধৰি প্ৰভাৱশালী কোনো বিষয়ববীয়াই তেওঁৰ খবৰ লবলৈ আহৰি নাপালে। বিধায়ক হেমাংগ ঠাকুৰীয়াই ফোনযোগে বিন্দু ৰাভাৰ স্বাস্থ্যৰ বুজ লৈ কিছু আৰ্থিক সাহায্য প্ৰদান কৰিয়ে দায়িত্ব সামৰে। আনহাতে, বিজেপি নেতা হিমাংশু শেখৰ বৈশ্যই তেওঁক নামমাত্ৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে তেওঁৰ যকৃত সংস্থাপনৰ নামত মুখ্যমন্ত্ৰীৰ পৰা এখন পত্ৰ আনি দিছিল যদিও সেই পত্ৰৰো কোনো কাম নিদিলে বুলি ৰাইজে মত প্ৰকাশ কৰে। অঞ্চলটোৰ যুৱকসকলেও তেওঁৰ চিকিৎসাৰ বাবে ধন সংগ্ৰহ কৰি দিছিল। কিন্তু আজি বিয়লি অৱশেষত ধনৰ অভাৱত বিন্দু ৰাভাৰ মৃত্যু হয়। তেওঁ মৃত্যুৰ সময়ত পিতৃ-মাতৃ, পত্নী, কণমানি পুত্ৰসহ ইষ্ট-কুটুম্বক এৰি থৈ যায়।

# বটদ্ৰৱাৰ একনিষ্ঠ সেৱক, ভকত মণি আতৈৰ পৰলোক

**ই-সংবাদ, বেৰেজীয়া, ১১ নৱেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ স্মৃতি বিজড়িত বটদ্ৰৱা থানৰ একনিষ্ঠ সেৱক, থানৰ ভৰালী, সত্ৰীয়া ভকত তথা ধৰ্মপ্ৰাণ ব্যক্তি মণিৰাম কলিতাৰ সোমবাৰে বিয়লি প্ৰায় দুই বজাত বটদ্ৰৱা নৰোৱা সত্ৰৰ নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। সকলোৰে মাজত 'মণি আতৈ' ৰূপে পৰিচিত ভকতগৰাকী বিগত কেইবামাহো ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। চিৰকুমাৰ মণি আতৈয়ে বটদ্ৰৱা থানত সুদীৰ্ঘ ৫০ বছৰৰো অধিক কাল ভকত-বৈষ্ণৱৰ সেৱাত নিমজ্জিত হৈ আছিল। উল্লেখ্য যে, ষাঠিৰ দশকতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দূৰদৰ্শী সাধাৰণ সম্পাদক প্ৰয়াত কমল চন্দ্ৰ বৰাৰ তত্বাৱধানত থানত তীৰ্থযাত্ৰী সকলৰ সেৱা কৰিবলৈ আহিছিল মণিৰাম কলিতা নামৰ কিশোৰজন। পৰৱৰ্তী সময়ত বটদ্ৰৱা থানৰ অন্যতম মুখ্য আতৈ তথা থানৰ মূল নামাচাৰ্য যোগেশ আতৈৰ ঘনিষ্ঠ সহযোগী হিচাপে থানৰ ভৰালীৰ দায়িত্বত থাকি সেৱা আগবঢ়াই আহিছিল মণি আতৈয়ে। বিবাহপাশত বন্দী নোহোৱা মণি আতৈ পৰৱৰ্তী কালত বটদ্ৰৱা থান দৰ্শনৰ বাবে অহা তীৰ্থযাত্ৰীসকলৰ বাবে অতিকে চিনাকি নাম হৈ পৰিছিল। গুৰুজনাৰ একান্ত সেৱক, সৰলমনা এইজনা সাত্বিক ভকতে প্ৰতিদিনে এমোকোৰা হাঁহিৰে সৈতে ভকত-বৈষ্ণৱ, তীৰ্থযাত্ৰীসকলক কীৰ্তন ঘৰলৈ আদৰি আনিছিল। ভকতগৰাকীৰ সুন্দৰ ব্যৱহাৰ, নিয়মানুবৰ্তিতা তথা আদৰ-অভ্যৰ্থনাই সকলোকে বেছ আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। বটদ্ৰৱা থানৰ দুপৰীয়াৰ ডেৰপৰীয়া প্ৰসংগৰ শেষত তীথযাত্ৰীসকলক উদ্দেশ্যি তেওঁ আৰ্শীৰ্বাদ দিয়াৰ আগে আগে উচ্চাৰিত 'এতিয়া সকলো যাত্ৰীয়ে সেৱা কৰক' বুলি কোৱা সেই বাক্যযাৰী কোনেও পাহৰিব নোৱাৰিব। সহজ-সৰল, অমায়িক স্বভাৱৰ সদা হাস্যময়ী মণি আতৈৰ মৃত্যুত বৃহত্তৰ বটদ্ৰৱাত গভীৰ শোকৰ ছাঁ পৰিছে। বটদ্ৰৱা থান পৰিচালনা সমিতিৰ তৰফৰ পৰা তেখেতৰ বিয়োগত শেষ শ্ৰদ্ধা জনোৱা হয়। জনপ্ৰিয় ভকতগৰাকীৰ মৃত্যুত বিধায়ক ৰূপক শৰ্মা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, উপ-সভাপতি অম্লানজ্যোতি দেৱ গোস্বামী, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা, সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱ গোস্বামী, কোষাধ্যক্ষ তপন কুমাৰ দাস, কাৰ্যনিৰ্বাহক সদস্য কল্যাণ কলিতা হিৰণ্য কলিতা, ৰবিৰাম শইকীয়া, বাবুল হাজৰিকা, সাংবাদিক কন্দৰ্প কুমাৰ কলিতা, অমৰজ্যোতি কলিতা, জগন্নথ কলিতা, হৰেন্দ্ৰ বনিক, ৰত্নেশ্বৰ বায়নকে প্ৰমুখ্য কৰি ভকত-বৈষ্ণৱ, বিভিন্নজনৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে।

## মূল্যবৃদ্ধি হ্ৰাস নকৰিলে তীব্ৰ আন্দোলনৰ হুংকাৰ

# মূল্যবৃদ্ধিৰ প্ৰতিবাদত যোগান মন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ পাৱৈ আছুৰ

**ই-সংবাদ, বিশ্বনাথ, ১১ নৱেম্বৰঃ** বিশ্বনাথৰ পাভৈ পাঁচআলিত পাভৈ আঞ্চলিক ছাত্ৰ সন্থাই সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে মূল্যবৃদ্ধিৰ প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ম কৰি যোগান মন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰে। আজি যোগান মন্ত্ৰীৰ কাম নাই, যোগান মন্ত্ৰী গ'বেক, বজাৰত লাগিছে জুই যোগান মন্ত্ৰী আছে শুই, হিমন্ত বিশ্বৰ কাম নাই, বিজেপি চৰকাৰ হায় হায়, মূল্যবৃদ্ধি হ্ৰাস কৰিব নোৱাৰা অসম চৰকাৰৰ কাম নাই, মূল্য বৃদ্ধি হ্ৰাস কৰক, জনতাৰ ওপৰত মাধমাৰ শোধোৱা বন্ধ কৰক আদি শ্লʼগানেৰে আকাশ-বতাহ কঁপাই তোলে। কাৰ্যসূচীত উপস্থিত থাকে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি মঃ আজমত শ্বেখ, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুশীল তাঁতী, উপদেষ্টা নিতু বৰা, প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি হেমন্ত সোনা, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰহ্লাদ মিলিকে আদি কৰি ছাত্ৰ সন্থাৰ শতাধিক বিষয় ববীয়া। চৰকাৰে যদি অতি বিলম্বে মূল্যবৃদ্ধি হ্ৰাস নকৰে তেন্তে পাভৈ আঞ্চলিক ছাত্ৰ সন্থাই ৰাইজৰ সহযোগত তীব্ৰ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ দিয়ে।



ভোট বিচাৰি! ঝাৰখণ্ডত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ শেষৰখন সভাত অসমৰ মুখ্যমন্ত্ৰী

# মাজুলীৰ কমলাবাৰীত চুৰি সামগ্ৰীসহ আটক চোৰ

**ই-সংবাদ, মাজুলী, ১১ নৱেম্বৰঃ** মাজুলীৰ কমলাবাৰীত চুৰি সামগ্ৰী সহ এটা চোৰক আজি আৰক্ষীয়ে আটক কৰে।ঘটনা অনুসৰি যোৱা নিশা ১নং কমলাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত চোৰে তলা ভাঙি প্ৰৱেশ কৰি বিদ্যালয়খনৰ পৰা সাতখনকৈ ফেন, প্ৰজেক্টৰ ৰিমʼৰ্ট সহ কম্পিউটাৰৰ সামগ্ৰী চুৰি কৰি নিয়ে। পুৱা বিদ্যালয়খনলৈ শিক্ষক-শিক্ষয়িত্ৰী আহি বিদ্যালয়ৰ তলা খোল খাই থকা দেখি হতভম্ব হৈ পৰে।বিদ্যালয়খনৰ ভিতৰত সোমাই ফেন কম্পিউটাৰৰ সকলো সামগ্ৰী নোহোৱা দেখি বিদ্যালয়খনৰ কৰ্তৃপক্ষই মাজুলী আৰক্ষী থানা, কমলাবাৰী আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে অনুসন্ধান চলাই ১নং কমলাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ সন্মুখৰ ঘৰৰ পৰা যদু মণি ভৰালী নামৰ যুৱকজনক সোধা-পোছাৰ বাবে আটক কৰে। থানাত আৰক্ষীয়ে জেৰা চলাই যুৱকজনৰ পৰা চুৰি কাণ্ডৰ লগত জড়িত সকলো তথ্য ফাদিল কৰিবলৈ সক্ষম হয়। যুৱকজনে তেওঁ বিদ্যালয়খনৰ সামগ্ৰী চোৰ কৰা বুলি স্বীকাৰ কৰাৰ লগতে তেওঁৰ লগত আৰু এজন জড়িত আছিল বুলি আৰক্ষী জনায়। আৰক্ষীয়ে দিনত যদুমণিক লগত লৈ তেওঁৰ লগৰজনৰ সন্ধানত বিভিন্ন স্থান ঘূৰে যিদিও লগৰটোক আটক কৰিবলৈ বাতৰি লিখা পৰলৈকে সক্ষম হোৱা নাই। পলাতক অৱস্থাত আছে আনটো চোৰ। আৰক্ষীয়ে বিদ্যালয়খনৰ সন্মুখৰ চোৰ যদুমণিৰ ঘৰৰ পাছ ফালৰ পুখুৰীৰ কাষৰ পৰা এটা বাকচত ৰাখি থোৱা চুৰি সামগ্ৰীসমূহ সন্ধিয়া উদ্ধাৰ কৰে। ইয়াৰ পূৰ্বেও এই বিদ্যালয়খনৰ পৰা দুটাকৈ পানীৰ মটৰ চুৰি হৈছিল। সেই পানীৰ মটৰ দুটাও যদুমণি নামৰ চোৰটোৱে চুৰি কৰাৰ কথা আৰক্ষীৰ আগত স্বীকাৰ কৰে বুলি জানিব পাৰিছো। ইতিমধ্যে আৰক্ষীয়ে মাজুলী পি এছ 44/2024 U/S 331(4) 305 BNS নম্বৰত গোচৰ ৰুজু কৰিছে।

# হাতীচোং মৌজাৰ বিভিন্ন স্থানত ৰাস মহোৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১১ নৱেম্বৰঃ** বছৰ বছৰ ধৰি পৰম্পৰাগতভাৱে পালন কৰি অহা নগাঁও জিলাৰ বৃহত্তৰ হাতীচোং মৌজাৰ ঐতিহাসিক ৰাস মহোৎসৱে পূৰ্বৰে পৰা সৰ্বস্তৰৰ ৰাইজৰ বিশেষ সমাদৰ লাভ কৰি আহিছে। শৰতৰ অতি বিতোপন পূৰ্ণিমাৰ নিশা চল্লিশ দশকৰ পৰা মৌজাটোৰ বিভিন্ন স্থানত মহা ধুম-ধামেৰে অনুষ্ঠিত কৰি অহা ৰাসলীলা চাবলৈ নগাঁও-মৰিগাঁও জিলাৰ উপৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ জনতাই ৰাসথলীসমূহ একপ্ৰকাৰ সমন্বয় ক্ষেত্ৰত পৰিণত কৰি তোলে। ঘাইকৈ এই ৰাস মহোৎসৱবোৰত প্ৰদৰ্শিত হোৱা ছোৱালীৰ ৰাসে আজিও দৰ্শকক আকৰ্ষিত কৰি আহিছে। উল্লেখ্য যে, শ্ৰীকৃষ্ণৰ জন্মৰ পৰা কালীয় দমন, পুতনা বধ, লৰণু চোৰ আদিকে ধৰি কৃষ্ণলীলাবোৰ কণ কণ শিশুৰ দ্বাৰা আৰু শংখচূড় বধ পৰ্যন্ত ৰাসক্ৰীয়াসমূহ যুৱতীৰ দ্বাৰা কেৱল সু-সৰ্জ্জিত মঞ্চত মনোমোহা নৃত্য-গীতেৰে পৰিৱেশন কৰা "কেলী গোপাল" অংকীয়া নাটখন চাবলৈ জনতাৰ লানি নিচিগা সোঁত বয়। ইয়াৰ ভিতৰত বিশেষ কাৰিকৰী কৌশলেৰে প্ৰদৰ্শন কৰা "কালীয় দমন"ৰ দৃশ্যটিয়ে দৰ্শকৰ মাজত ব্যাপক আলোড়নৰ সৃষ্টি কৰি আহিছে। সেয়ে এতিয়া হাতীচোং মৌজাবাসী ৰাইজে পূৰ্বৰ পৰম্পৰা তথা অসমীয়া সংস্কৃতি ৰক্ষাৰ্থে এইবেলিও পৃথকে পৃথকে ৰাস মহোৎসৱভাগ উদযাপনৰ নিমিত্তে প্ৰস্তুতি অব্যাহত ৰাখিছে। ৰাস মহোৎসৱথলীবোৰ উদ্যোক্তা সমিতিসমূহে আকৰ্ষণীয়ৰূপত সজাই-পৰাই তোলাৰ বিপৰীতে বিগত এপষেক ধৰি দিনে-নিশাই মৌজাটোৰ প্ৰান্তে প্ৰান্তে গঞাৰাইজে এই উৎসৱক কেন্দ্ৰ কৰি চলোৱা সীমাহীন ব্যস্ততাৰে দৰ্শকক মনোৰঞ্জন দিবলৈ সাজু হৈছে। ইয়াৰ বিপৰীতে কিশোৰী, যুৱতী, মহিলাসকল এতিয়া ব্যস্ত ৰাসৰ আখৰাত। ফলত খোল-তালৰ শব্দ, গোপীৰ নৃত্য-ভংগীমা, পদচালনা, বচন, পয়াৰ, বিলাপ আদিৰ লগতে নাটকৰ ৰাগ-তালযুক্ত গীতে মুখৰিত কৰিছে গ্ৰামাঞ্চলসমূহৰ আকাশ-বতাহ। আনকি ৰাসৰ আখৰা চাবলৈও আখৰা থলীসমূহত ভিৰ কৰিছে গঞা ৰাইজে। ইফালে, ৰাসৰ আখৰাত ভাগ লৈ আনন্দত আত্মহাৰা হৈ পৰিছে যুৱতীসকল। 'আহা আহা সখি সব, বৃন্দাবনে যাঁও...' গীতৰ তালে তালে নৃত্য কৰিছে গোপীৰ ভাৱত নৃত্যৰত যুৱতীসকলে। লগতে আখৰাত প্ৰাণঢালি অভিনয় কৰিছে কৃষ্ণ, ৰাধা, যশোদা, কংস, শংখচূড় আদি ভাওত অভিনয় কৰিবলগীয়া শিল্পীসকলে।

## সমস্যা সমাধানত ব্যৰ্থ বন বিভাগ তথা বিটিআৰ চৰকাৰ

# ভাৰত-ভূটান সীমান্তত পুনৰ বন্যহস্তীৰ আক্ৰমণত নিহত শ্ৰমিক

**ই-সংবাদ, ডিমাকুছি, ১১ নৱেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত বন্যহস্তী আৰু মানুহৰ তীব্ৰ সংঘাত চলি থকাৰ সমান্তৰালকৈ ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্ততো হাতী-মানুহৰ সংঘাত অব্যাহত আছে। ওদালগুৰিৰ বিভিন্ন প্ৰান্তত এতিয়া অহৰ্নিশে ভয়ানকভাৱে বৃদ্ধি পাই আহিছে হাতী-মানুহৰ সংঘাত। বিশেষকৈ জিলাখনৰ পানেৰী, ডিমাকুছি, ভুটিয়াচাং, ৰজাগড়, নালাপাৰা, ধৰমজুলি, বামুনজুলি, চামৰাং, ভোলাটাৰ, টেংকিস্তীকে ধৰি ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত দিনক দিনে বৃদ্ধি পাই আহিছে বন্যহস্তী আৰু মানুহৰ সংঘাত। প্ৰতিদিনে হাতী-মানুহৰ সংঘাতত জুৰুলা হৈ পৰিছে ভূটান সীমান্তবাসী। জীৱশ্ৰেষ্ঠৰ দ্বাৰা ব্যাপক হাৰত বনাঞ্চল ধ্বংস আৰু এলিফেণ্ট কৰিডৰসমূহ অবৈধভাৱে দখল কৰি বাসভূমি গঢ়ি তোলাৰ উপৰি খাদ্যৰ সন্ধানত কাষৰীয়া বৰনদী অভয়াৰণ্য আৰু ননৈ সংৰক্ষিত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা বন্যহস্তীৰ সন্ত্ৰাসত ত্ৰাহী মধুসূদন সুঁৱৰিছে অঞ্চলবাসীয়ে। জিলাখনৰ বিভিন্ন প্ৰান্তত হাতী-মানুহৰ এনে ভয়াৱহ সংঘাতৰ মাজতে দেওবাৰে নিশা জিলাখনৰ ভূটান সীমান্তৱৰ্তী ওদালগুৰিৰ পানেৰী চাহ বাগিচাত সংঘটিত হয় এক শোকাৱহ ঘটনা। দেওবাৰে নিশা পানেৰী চাহ বাগিচাৰ ১০ নং লাইনৰ মাংৰা কাণ্ডুলনা নামৰ প্ৰায় ২৮ বছৰীয়া দিন-হাজিৰা কৰা লোকজনৰ মৃত্যু হয় বনৰীয়া হাতীৰ আক্ৰমণত। প্ৰাপ্ত তথ্য অনুসৰি নিশা হাতী খেদিবলৈ যোৱাৰ সময়তে ঘৰৰ পৰা কিছু নিলগৰ চাহ বাগিচাৰ মাজত বনৰীয়া হাতীয়ে গচকি হত্যা কৰে লোকজনক। লোকজনৰ মৃতদেহ প্ৰত্যক্ষ কৰি বনবিভাগ আৰু পানেৰী আৰক্ষীক খবৰ দিয়ে স্থানীয় ৰাইজে। নিশাই ঘটনাস্থলীত উপস্থিত হয় বনবিভাগৰ লোক আৰু পানেৰী আৰক্ষী। বিগত বছৰ-বছৰ ধৰি বৃহৎ বন্যহস্তীৰ হাতীৰ জাকে সন্ত্ৰাস সৃষ্টি কৰি আহিছে যদিও সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা নাই বিটিআৰ প্ৰশাসন তথা বন বিভাগে। ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত যেন কেতিয়াও অন্ত নপৰিব হাতী-মানুহৰ সংঘাত। জিলাখনৰ বিভিন্ন প্ৰান্তত ইতিমধ্যে বনৰীয়া হাতীৰ সন্ত্ৰাসত বহু পৰিয়াল গৃহহীন হোৱাৰ লগতে বিগত বছৰটোত জিলাখনত ১৫ জনতকৈও অধিক বন্যহস্তীৰ নিশংসতাৰ বলি হোৱাৰ বিপৰীতে জীৱশ্ৰেষ্ঠৰ জিঘাংসাৰ বলি হৈছে ৮ টাকৈ বন্যহস্তী। কেৱল সেয়াই নহয় বিঘাই-বিঘাই কৃষি ভূমি অনিষ্ট কৰি আহিছে বন্যহস্তীয়ে। পিছে হাতী-মানুহৰ এই ভয়াৱহ সংঘাত ৰোধৰ ক্ষেত্ৰত অদ্যাপি সফল হোৱা নাই বিটিচি চৰকাৰ আৰু বিয়াগোম বনবিভাগ। কুম্ভকৰ্ণ নিদ্ৰাত বনমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী। বাৰে-বাৰে বনমন্ত্ৰীক হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ সুব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা পিছতো কিন্তু কুম্ভকৰ্ণ নিদ্ৰাত বিয়াগোম বিভাগটোৰ মন্ত্ৰীগৰাকী। সেয়েহে পুনৰবাৰ বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজে অতি শীঘ্ৰে হাতী-মানুহৰ সংঘাত ৰোধৰ সুব্যৱস্থা কৰি দিয়াৰ উপৰি বন্যহস্তীৰ আক্ৰমণত নিহত পৰিয়ালবৰ্গক সাহায্য প্ৰদান কৰিবলৈ বনমন্ত্ৰীৰ লগতে বিটিচি চৰকাৰ আৰু ৰাজ্য চৰকাৰক আহ্বান জনাইছে।

## স্থায়ী বান আশ্ৰয়স্থল নিৰ্মাণকাৰীৰ বিৰুদ্ধে তদন্তৰ দাবী

# লাহৰীঘাটত তিনিমাহ নৌহওঁতেই খহিল গাৰ্ড ৱাল

**ই-সংবাদ, লাহৰীঘাট, ১১ নৱেম্বৰঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী বানে হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি কৰা মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ কাঠনিত স্বেচ্ছাসেৱী সংস্থা শৰৎ চন্দ্ৰ কাগতি চেৰিটেবল ট্ৰাষ্টৰ অনুদানেৰে নিৰ্মিত স্থায়ী বান আশ্ৰয়স্থল মুকলিৰ তিনি মাহ নৌহওঁতেই খহি পৰিল গাৰ্ড ৱাল। আনহাতে, আশ্ৰয়গৃহৰ বেৰত মেলিছে ফাঁট। এই ঘটনাই এতিয়া সমগ্ৰ বান খহনীয়াগ্ৰস্ত লোকসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে প্ৰতি বছৰে হোৱা ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী বানে লাহৰীঘাট ৰাজহ চক্ৰৰ অধীনস্থ নৈপৰীয়া আৰু চৰ চাপৰিৰ লোকসকলৰ আশ্ৰয় আৰু নিৰাপত্তাৰ ক্ষেত্ৰত ভাবুকি সৃষ্টি কৰি আহিছে। এনে অৱস্থাত কাঠনি অঞ্চলৰ বানপীড়িত লোকসকলক সকাহ দিয়াৰ উদ্দেশ্যে মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাৰ উদ্যোগত যোৰহাটৰ স্বেচ্ছাসেৱী সংস্থা শৰৎ চন্দ্ৰ কাগতি চেৰিটেবল ট্ৰাষ্টৰ বৃহৎ পুঁজিৰে কাঠনি বীজপামত এটা স্থায়ী বান আশ্ৰয়স্থল নিৰ্মাণ কৰে। জানিব পৰা মতে, এই স্থায়ী বান আশ্ৰয়স্থলটো নিৰ্মাণৰ ঠিকাদাৰৰ দায়িত্বত আছিল জয়দীপ বৰুৱা নামৰ এগৰাকী ব্যক্তি। ইফালে, যোৱা ২২ ছেপ্টেম্বৰত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই স্থায়ী বান আশ্ৰয়স্থলটোৰ এটা বৃহৎ অংশৰ গাৰ্ড ৱাল বৰষুণতে ইতিমধ্যে সম্পূৰ্ণৰূপে খহি পৰাৰ লগতে তেল চূণ ঘঁহি নিৰ্মাণ কাৰ্য সম্পন্ন কৰা আশ্ৰয়গৃহটোৰ বেৰত মেলিছে বৃহৎ ফাঁট। আশ্চৰ্যকৰ বিষয় যে স্থায়ী বান আশ্ৰয়স্থলটোৰ নিৰ্মাণৰ তিনি মাহ নৌহওঁতেই খহি পৰা গাৰ্ড ৱালখনত নাছিল কোনো ধৰণৰ লিণ্টাৰৰ ব্যৱস্থা। ঠিকাদাৰে মাত্ৰ তিনিটা খুঁটা স্থাপন কৰি অতি নিম্নমানৰভাৱে, নিম্নমানৰ সামগ্ৰীৰে গাৰ্ড ৱালখন নিৰ্মাণ কৰাৰ ফলতেই বৰষুণৰ পানীতে গাৰ্ড ৱালখন খহি পৰাৰ লগতে আশ্ৰয়গৃহটোৰ বেৰত ফাঁট মেলিবলৈ ধৰিছে বুলি স্থানীয় লোকে অভিযোগ তুলিছে। উল্লেখ্য যে ৰাজহ চক্ৰটোৰ বানপীড়িত লোকসকলৰ দুখ-দুৰ্গতি দেখি জিলা আয়ুক্তগৰাকীয়ে ব্ৰহ্মপুত্ৰ নদীৰ কাষতে থকা কাঠনি বীজপামত স্বেচ্ছাসেৱী সংস্থাটোৰ বৃহৎ পৰিমাণৰ টকা খৰচ কৰি নিৰ্মাণ কৰি উলিয়াইছিল স্থায়ী বান আশ্ৰয়স্থলটো। এনে অৱস্থাত মুকলি কৰাৰ পিছতেই আশ্ৰয়গৃহটোৰ বেৰত ফাঁট মেলাৰ লগতে গাৰ্ড ৱাল খহি পৰিল। বানপানীৰ পৰা বানাক্ৰান্তক আশ্ৰয় আৰু ৰক্ষাৰ বাবে স্বেচ্ছাসেৱী সংস্থাটোৱে স্থায়ী বান আশ্ৰয়স্থলটো নিৰ্মাণ কৰি দিয়াৰ পিছত জিলা আয়ুক্তগৰাকীৰ লগতে স্বেচ্ছাসেৱী সংস্থাটোৰ কৰ্তৃপক্ষ আৰু স্থানীয় বানপীড়িত লোকসকলেও সন্তুষ্টি লাভ কৰিছিল।কিন্তু এনে অৱস্থাত ঠিকাদাৰগৰাকীৰ দুৰ্নীতিৰ বাবেই বানপীড়িতই আশ্ৰয় ল'ব নৌপাওঁতেই আশ্ৰয়স্থলটোৰ গাৰ্ড ৱাল খহি পৰা আৰু গৃহটোৰ বেৰত ফাঁট মেলা ঘটনাটোৰ উচিত তদন্ত কৰিবলৈও জিলা আয়ুক্তগৰাকীক স্থানীয় বান আৰু খহনীয়াগ্ৰস্ত ৰাইজে দাবী জনাইছে।

# জমিয়ত উলেমাৰ তত্বাৱধানত দৰঙত কুসংস্কাৰ বিৰোধী সমিতি গঠন

**ই-সংবাদ, খাৰুপেটীয়া, ১১ নৱেম্বৰঃ** দৰং জিলাৰ খাৰুপেটীয়া কলেজ ৰোড জামে মছজিদ প্ৰাংগণত কালি মৌলানা মুস্তাক আনফৰ নেতৃত্বাধীন জমিয়ত উলামাৰ অধীনত দ্বীনি তালীমী বোৰ্ড আৰু কুসংস্কাৰ বিৰোধী দৰং জিলা সমিতি গঠনাৰ্থে এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। ইতিমধ্যে দৰং জিলা জমিয়তৰ তৎপৰতাত "বাল্য কালৰ মক্তবৰ শিক্ষা গোটেই জীৱন ঈমানৰ ৰক্ষা" শ্ল'গানেৰে এক প্ৰশংসনীয় পদক্ষেপ হাতত লোৱা দেখা গৈছে। ইয়াৰ উপৰি সমাজত প্ৰচলিত বাল্য বিবাহ, মদ, ভাং, ড্ৰাগছ আদি কুসংস্কাৰৰ বিৰুদ্ধেও সজাগতামূলক ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰে জমিয়তে। দৰং জমিয়তৰ সভাপতি আবু বক্কৰ চিদ্দিকৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনত সৰ্বসন্মতিক্ৰমে আব্দুল বাতেন কাচিমীক সভাপতি আৰু মুফতি বাহাৰুল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ দৰং জিলা দ্বীনি তালীমী বোৰ্ড আৰু মুক্তাৰুল ইছলামক সভাপতি আৰু ইমদাদুল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ কুসংস্কাৰ বিৰোধী দৰং জিলা সমিতি গঠন কৰা হয়। নৱগঠিত সমিতিয়ে জিলাখনৰ বিভিন্ন এলেকাত শিক্ষাৰ উন্নতি আৰু সমাজ বিৰোধী কাৰ্যকলাপ বন্ধ কৰি এখনি সুস্থ, সবল, প্ৰগতিশীল সমাজ গঠনৰ ওপৰত গুৰুত্ব দিয়ে। সভাখনত ৰাজ্যিক প্ৰতিনিধিৰ অসম তাহলীম তৰক্কী বৰ্ডৰ সাধাৰণ সম্পাদক মুফটি মোজাহিদুল ইছলাম কাচিমী, তত্বাৱধায়ক মজিবুৰ ৰহমান কাচিমী, জমিয়ত উলামাৰ কাৰ্যালয় সম্পাদক আকমল কাচিমি, তৰক্কী বৰ্ড অসমৰ কাৰ্যালয় সম্পাদকদ্বয় মুস্তাক আহমেদ কাচিমী আৰু ৰাকিবুল ইছলাম কাচিমীৰ লগতে খাৰুপেটীয়া কলেজৰ আৰবী বিভাগৰ অধ্যাপক জাকিৰ হুছেইন, দৰং জমিয়তৰ উপসভাপতি মৌলানা নুৰুল আমিন প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকে। সকলোৱে নৱ নিৰ্বাচিত সমিতিক শুভেচ্ছা জনোৱাৰ লগতে উদ্যমেৰে আগুৱাই যাবলৈ উৎসাহ আৰু উদ্দীপনা আগবঢ়ায়। সভাখনৰ আঁত ধৰে দৰং জমিয়তৰ সাধাৰণ সম্পাদক ইমদাদুল ইছলামে আৰু সহযোগিতা আগবঢ়ায় জিলাখনৰ সাধাৰণ সম্পাদক মৌলানা ওৱাকিল আহমেদ, কাৰ্যালয় সম্পাদক মৌলানা জাহিদুৰ ৰহমান, মৌলানা মইনুদ্দিন আৰু বিভিন্ন আঞ্চলিকৰ বিষয়ববীয়াসকলে।

# দিন-দুপৰতে তিতাবৰৰ কেইবাঠাইত চুৰিকাণ্ড

**ই-সংবাদ, তিতাবৰ, ১১ নৱেম্বৰঃ** তিতাবৰত আজি দিন-দুপৰতে চোৰে কেইবা ঠাইত চুৰিকাণ্ড সংঘটিত কৰি লক্ষাধিক টকাৰ বিভিন্ন সামগ্ৰী, নগন ধন লৈ যায়। জানিব পৰা মতে, তিতাবৰৰ ধৰণী শইকীয়া নামৰ এগৰাকী কংগ্ৰেছ নেতাৰ ভাড়াঘৰত দুপৰীয়া প্ৰায় ১.৩০ মান বজাত কোনো মানুহ নথকাৰ সুযোগ লৈ চোৰ সোমায়। চোৰে ঘৰটোৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি ল'কাৰৰ পৰা দহ লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ লৈ উধাও হয়। আলমিৰাটোত প্ৰায় ৫৯ হেজাৰ টকা কাগজেৰে মেৰিয়াই থোৱা আছিল যদিও টকাখিনি তলত পৰি ৰয়। ইফালে, তিতাবৰ সমজিলা কাৰ্যালয়ৰ প্ৰায় সন্মুখতে থকা জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ গ্ৰন্থাগাৰিক মনামী খনিকৰৰ চৰকাৰী আবাসগৃহত কোনো নথকাৰ সুযোগ লৈ চোৰ সোমাই প্ৰায় ৩ লাখ টকাৰ সোণৰ আ-অলংকাৰ লৈ যায়। তিতাবৰৰ মাৰোৱাৰী ঠাকুৰবাৰীৰ এটা মন্দিৰৰ পৰা ৰূপৰ মূৰ্তিৰ লগতে প্ৰায় ৮০ হাজাৰ টকাৰ অলংকাৰ লৈ যায়। আনহাতে, তিতাবৰত অনলাইন সামগ্ৰীৰ ডেলিভাৰী দিয়া কাৰ্যালয়ত চোৰ সোমাই ল'কাৰৰ পৰা প্ৰায় ২ লাখ ১৪ হাজাৰ টকা লৈ যায়। চোৰৰ এনে উপদ্ৰৱে বৰ্তমান নিদ্ৰা হৰণ কৰিছে তিতাবৰবাসীৰ। চোৰৰ উপদ্ৰৱ ৰোধত তিতাবৰ আৰক্ষী চূড়ান্তভাৱে ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে।

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে বৰমাত আছুৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, বৰমা, ১১ নৱেম্বৰঃ** বৰমাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আছুৱে আজি দাহ কৰে যোগন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ প্ৰতিমূৰ্তি। আছু ৰকেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে বাক্সা জিলাৰ বৰমা আঞ্চলিক ছাত্ৰ সন্থাই অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বৰমা আঞ্চলিক ছাত্ৰ সন্থাই ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ৰাজ্যৰ যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুত্তলিকা দাহ কৰে। প্ৰতিবাদস্থলীত বিজেপি চৰকাৰ গ'বেক, বিজেপি চৰকাৰ কাম নাই, মূল্যবৃদ্ধি ৰোধ কৰক, যোগান মন্ত্ৰীৰ কাম নাই ইত্যাদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি আব্দুল মতিন আলীৰ লগতে বৰমা আঞ্চলিক ছাত্ৰ সন্থা, শাখা ছাত্ৰ সন্থাৰ সদস্যসকল।

# মূল্যবৃদ্ধিক লৈ আছুৰ প্ৰতিবাদ, হাজোত যোগান মন্ত্ৰীৰ প্ৰতিকৃতি দাহ

**ই-সংবাদ, হাজো, ১১ নৱেম্বৰঃ** মূল্যবৃদ্ধিয়ে কোঙা কৰিছে ৰাজ্যৰ জনসাধাৰণক। অত্যাৱশ্যকীয় সামগ্ৰীৰ ভয়ংকৰ মূল্য বৃদ্ধিত ত্ৰাহি মধুসুদন সুঁৱৰিছে সৰ্বসাধাৰণ ৰাইজে। মূল্যবৃদ্ধি ৰোধ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে ৰাজ্য চৰকাৰ। দৈনন্দিন ব্যৱহাৰ্য প্ৰতিটো সামগ্ৰীতে অত্যাধিক মূল্যবৃদ্ধিত প্ৰতিখন বজাৰতে ৰাইজৰ মাজত দেখা গৈছে ক্ষোভৰ জুই। এই ভয়ংকৰ মূল্যবৃদ্ধিৰ পৰা জনসাধাৰণক সকাহ দিবলৈ চৰকাৰক দাবী জনাইছে সদৌ অসম ছাত্ৰ সন্থাই। আজি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কমিটীৰ আহ্বান মৰ্মে হাজো-নলবাৰী পথ অৱৰোধ কৰি হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকলে যোগান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলে মূল্যবৃদ্ধি ৰোধ কৰক, যোগান মন্ত্ৰী হায় হায়, অসম চৰকাৰ হায় হায় ধ্বনিৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। আনহাতে, হাজোৰ বামুন্দীতো পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাক এই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা পৰিলক্ষিত হয়।

# খুমটাইত আছুৰ প্ৰতিবাদ

**ই-সংবাদ, খুমটাই, ১১ নৱেম্বৰঃ** পশ্চিম গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাই খুমটাই চাৰিআলিৰ ধোদৰআলিত যোগান মন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে। বজাৰত লাগিছে জুই, যোগান মন্ত্ৰী আছে শুই, বিজেপি চৰকাৰ হায় হায়, যোগান মন্ত্ৰী গ' বেক আদি বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আছু কৰ্মীয়ে। শীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ নকৰিলে আগন্তুক দিনত ধাৰাবাহিক আন্দোলনৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে।

# মোৰাঝাৰৰ চৌধুৰীবজাৰত আমছুৰ সজাগতা সভা

**ই-সংবাদ, মোৰাঝাৰ, ১১ নৱেম্বৰঃ** সংখ্যালঘু সমাজৰ পৰা ড্ৰাগছ, বাল্য বিবাহ, বহু বিবাহৰ দৰে মাৰাত্মক ব্যাধি আঁতৰোৱাৰ বাবে মাৰবান্ধি থিয় দিছে আমছু। হোজাই জিলাৰ মোৰাঝাৰৰ চৌধুৰী বজাৰত ড্ৰাগছ, বাল্য বিবাহ, বহু বিবাহ ৰোধ কৰাৰ বাবে হোজাই জিলা আমছুৱে দেওবাৰে সন্ধিয়া এখন সজাগতা সভা অনুষ্ঠিত কৰে। হোজাই জিলা আমছুৰ সভাপতি কবিৰ আহমেদ লস্কৰৰ পৌৰোহিত্যত অনুষ্ঠিত কেইবা শতাধিক লোক উপস্থিত থকা এই সভাত সংখ্যালঘু সমাজৰ মাজত শিক্ষাৰ প্ৰসাৰৰ ওপৰত আলোকপাত কৰা হয়। ড্ৰাগছে কিদৰে নিজৰ ঘৰৰ লগতে সমাজক ধ্বংসৰ মুখলৈ আগবঢ়াই নিয়ে সেই বিষয়ে ৰাইজক বুজাই দিয়ে জিলা আমছুৰ নেতৃত্বই। আমছুৰ উপদেষ্টা মনোৱাৰ হুছেইন বকুলকে ধৰি মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক নিশিল চন্দ্ৰ ৰয় উপস্থিত থাকি সজাগতা সভাত বক্তব্য প্ৰদান কৰে। জিলাখনত বহুদিন ধৰি বাল্য বিবাহ ৰোধৰ বাবে আমছুৱে কাম কৰি আছে, তাৰ পাছতো যদি কোনো লোকে বাল্য বিবাহ কৰে তেনেহ'লে তাক কোনো কাৰণতে এৰি দিয়ানহব'ব বুলি হুংকাৰো প্ৰদান কৰে। আমছু কৰ্মীসকল সদায় সজাগ হৈ আছে, গতিকে এতিয়াৰে পৰা এই সামাজিক ব্যাধিসমূহৰ লগত জড়িত থকা সকলক খেদি খেদি কৰায়ত্ত কৰি আৰক্ষীৰ হাতত গতাই দিয়াৰো হুংকাৰ দিয়ে জিলা আমছুৰ নেতৃত্বই।

# বিশ্বনাথৰ চামগুৰিত ‘ধৰ্মপালৰ ধৰ্ম পৰীক্ষা’, ‘যৱনদৈত্য বধ’ প্ৰদৰ্শন

**ই-সংবাদ, বিশ্বনাথ, ১১ নৱেম্বৰঃ** বিশ্বনাথৰ চামগুৰি ৰাইজৰ উদ্যোগত আৰু স্থানীয় যুৱক-যুৱতীসকলৰ সহযোগত সাৰ্বজনীন ভিত্তিত ভাওনা প্ৰদৰ্শন কৰা হয়। চামগুৰি নামঘৰত হোৱা ভাওনাভাগত ‘ধৰ্মপালৰ ধৰ্ম পৰীক্ষা’, ‘যৱনদৈত্য বধ’ৰ নাট সফলভাৱে প্ৰদৰ্শন কৰা হয়। প্ৰশিক্ষক দ্বয় ভাস্কৰ্য মনজিত হাজৰিকা আৰু প্ৰাণজিৎ হাজৰিকাই সফলপূৰ্বক নাটভাগ পৰিচালনা কৰে। উক্ত ভাওনা অনুষ্ঠানভাগ শুভ উদ্বোধন কৰে বৰবায়ন কমলাবাৰী সত্ৰৰ পংকজ শইকীয়াই। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে কমলাবাৰী সত্ৰৰ ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ ক্ষীৰোদ মহন্ত। বিশ্বনাথ জিলা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ সভাপতি লক্ষীকান্ত শইকীয়াই অনুষ্ঠানভাগ সুন্দৰকৈ পৰিছালনা কৰে। উল্লেখ্য যে গুৰুজনাৰ অমৰ সৃষ্টিৰ ভাওনাভাগৰ সাংস্কৃতিক কলাক সুন্দৰকৈ উপস্থাপন কৰি স্থানীয় শিল্পীসকল প্ৰশংসিত হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ভাওনাভাগ সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত হোৱাত সন্তুষ্টি প্ৰকাশ কৰে ভাওনা উদযাপন সমিতিৰ সভাপতি প্ৰবীণ ৰাজবংশী আৰু সম্পাদক অৰুণ লাহনে।

## অন্তিম দিনা গীত পৰিৱেশন কৰিব কণ্ঠশিল্পী সুৱাসনা দত্তই

# ৰঙিয়াৰ পুঠিমাৰীত ৯দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১১ নৱেম্বৰঃ** ৰঙিয়াৰ পুঠিমাৰীত ৪২ সংখ্যক ৰাস মহোৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি হাতত লোৱা হৈছে। অহা ১৫ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ ৯ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ৰাস মহোৎসৱৰ পৰিচালনাৰ্থে স্থানীয় বিধায়ক ভৱেশ কলিতাক সভাপতি, হেমন্ত কলিতাক কাৰ্যকৰী সভাপতি, যতীন চৌধুৰীক সম্পাদক আৰু দিগন্ত ডেকাক যুটীয়া সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰা হৈছে। প্ৰথম দিনা দিনৰ ভাগত হৰিমন্দিৰৰ পতাকা উত্তোলন, ৰাস মহোৎসৱৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, ভাগৱত স্থাপন, পানী তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সন্ধিয়া ৰাস মহোৎসৱৰ উদ্বোধন কৰাৰ পিছত উদ্বোধনী সভা, বন্তি প্ৰজ্বলন, নাগাৰা নাম পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা আকৰ্ষণীয় কাৰ্যসূচী আঞ্চলিক ভিত্তিত দিহা নাম প্ৰতিযোগিতা। তৃতীয় দিনা সাংস্কৃতিক সমাৰোহত মণ্টুমনি শইকীয়াৰ অনুষ্ঠান পৰিৱেশন। চতুৰ্থ দিনা সদৌ অসম ভিত্তিত নাগাৰা নাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। পঞ্চম দিনা সন্ধিয়া মহিলাৰ নাগাৰা নাম, ষষ্ঠ দিনা সাংস্কৃতিক সমাৰোহত অৰূপ ডেকা, যীচুজ্যোতি আৰু অনুৰাগ কলিতাৰ গীতৰ শৰাই আগবঢ়োৱা হ'ব। সপ্তম দিনা জনপ্ৰিয় নাগাৰা নামৰ পাঠক সুভাষ নাথৰ অনুষ্ঠান। অষ্টম দিনা উৎপল সাগৰ(হোলৈ)ৰ নাগাৰা নামৰ লগতে অন্তিম দিনা জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্তৰ গীতৰ শৰাই আগবঢ়োৱা হ'ব। সকলো কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে।

# শিঙিমাৰীত মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ

**ই-সংবাদ, শুৱালকুছি, ১১ নৱেম্বৰঃ** ৰাজ্যত দিনক দিনে বৃদ্ধি হৈছে অত্যাৱশকীয় সামগ্ৰীৰ মূল্য। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে প্ৰভাৱ পেলাইছে সৰ্বসাধৰণ ৰাইজৰ প্ৰাত্যাহিক জীৱন যাত্ৰাত। সময়ে সময়ে মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে যদিও দাম কমাৰ পৰিৱৰ্তে অধিক বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে। ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ২ নং পূব বংশৰ আঞ্চলিক সন্থাই আজি শিঙিমাৰী চ'কত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ৰন্ধন গেছ, জীৱন দায়িনী ঔষধৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত যোগান মন্ত্ৰীৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। শতাধিক আছুৰ প্ৰতিবাদকাৰীয়ে যোগান বিভাগ হায় হায়, যোগান মন্ত্ৰী হায় হায়, অসম চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী গ' বেক, মূল্যবৃদ্ধি ৰোধ কৰক, যোগান মন্ত্ৰী মুৰ্দাবাদ, মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰক আদি চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে আছু নেতা বিকাংক দাস, পূব বংশৰ আঞ্চিলক ছাত্ৰ সন্থাৰ সভাপতি নয়ন জ্যেতি বণিয়া, সম্পাদক হিবজুৰ ৰহমান, শিক্ষা সম্পাদক সুনিল বৈশ্যসহ বহু নেতা।

# বৰবৰী শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ আয়োজন

**ই-সংবাদ, মুছলপুৰ, ১১ নৱেম্বৰঃ** শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্ভুক্ত তথা বৰমা সংকুলৰ অন্তৰ্গত শংকৰদেৱ শিশু নিকেতন, বৰবৰীৰ ৰূপালী জয়ন্তী উদযাপনৰ বাবে প্ৰস্তুতি চলিছে। ইতিমধ্যে বাগানপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নগেন ৰামচিয়াৰীক সভাপতি আৰু নিকেতনখনৰ প্ৰধান আচাৰ্য ধ্ৰুৱজিৎ দাসক মুখ্য সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ ৰূপালী জয়ন্তী উদযাপন সমিতি গঠন কৰা হৈছে। লগতে বিত্ত, সাংস্কৃতিক, প্ৰচাৰ, ৰভা, স্মৃতিগ্ৰন্থকে ধৰি ১৩ খন উপ-সমিতি গঠন কৰা হৈছে। উল্লেখ্য যে ২০২৫ বৰ্ষৰ ২১ আৰু ২২ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদযাপন কৰা হ'ব। ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে।

# আন্তঃজিলা মহিলা কাবাডীত কোকৰাঝাৰ দল চেম্পিয়ন

**ই-সংবাদ, মৰিগাঁও, ১১ নৱেম্বৰঃ** মৰিগাঁও জিলা কাবাডী সন্থাৰ উদ্যোগত দলবাৰী যুৱকল্যাণ সংঘৰ খেল পথাৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত ৩৫ সংখ্যক সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতাখনিৰ যোৱা নিশা সফলতাৰে সামৰণি পৰে। ৰাজ্যৰ ২৬ খন জিলাৰ মহিলা কাবাদী দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন কোকৰাঝাৰ আৰু গোৱালপাৰা জিলা মহিলা কাবাদী দলৰ মাজত অনুষ্ঠিত হয় আৰু কোকৰাঝাৰ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। নিশা অনুষ্ঠিত বঁটা বিতৰণী সভাত উপস্থিত থাকি মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, গুৱাহাটী কাবাদী সন্থাৰ সভাপতি আলোক ত্ৰিপাঠী, মৰিগাঁও জিলা কাবাডী সন্থাৰ সভাপতি ৰমেন নাথ, সাধাৰণ সম্পাদক ৰমেশ কাকতি, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সাংবাদিক মৃদু কলিতা, দলবাৰী যুৱকল্যাণ সংঘৰ সভাপতি ৰেজামউদ্দিন আহমেদৰ লগতে বহুকেইজন বিশিষ্ঠ ব্যক্তিয়ে বিজয়ী আৰু বিজিত দল দুটাক বঁটা প্ৰদান কৰে। ইফালে বঁটা বিতৰণী সভাত ভাষণ প্ৰদান কৰি অসম কাবাদী সন্থাৰ প্ৰাক্তন সম্পাদক আলোক ত্ৰিপাঠীয়ে ৰাজ্যত কাবাডীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰৰ লগতে অসম কাবাদী সন্থাই বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় অলিম্পিক সন্থাই ২০৩৬ বৰ্ষত ভাৰতবৰ্ষত অলিম্পিক আয়োজনৰ বাবে নিবেদন কৰিছে আৰু যদি অলিম্পিক আয়োজনৰ অনুমোদন লাভ কৰে তেন্তে নিশ্চয়কৈ কাবাডীৰ লগতে কেইবাটাও ভাৰতীয় পৰম্পৰাগত খেল অলিম্পিকত অন্তৰ্ভুক্ত হ'ব।




আছুৰ প্ৰতিবাদ, গুৱাহাটীত সোমবাৰে




তৃতীয় এদিনীয়াত বাংলাদেশক ৫ উইকেটত হৰুৱাই আফগানিস্তানৰ দুই বেটাৰৰ উল্লাস, সোমবাৰে

## বুজ ল'ৰ ষষ্ঠ অনুসূচীৰ প্ৰশাসনিক ব্যৱস্থাৰ বাস্তৱিকতাৰ

# প্ৰকৃতিৰ ৰাণী হাফলঙত পৰিৱেশ কৰ্মী ছোনম বাংছুক

**ই-সংবাদ, ১১ নৱেম্বৰঃ** অসমৰ প্ৰকৃতিৰ ৰাণী হাফলঙত বিশেষ কামত উপস্থিত হৈছে বিশিষ্ট পৰিৱেশ কৰ্মী তথা লাডাখক ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্ত কৰাৰ দাবীত অহৰহ প্ৰতিবাদ কৰি থকা ছোনম বাংছু আজি গুৱাহাটীত উপস্থিত হৈ পোনে পোনে ডিমা হাচাও জিলাৰ হাফলঙত উপস্থিত হয়। বিশিষ্ট পৰিৱেশ কৰ্মী জনে হাফলঙত কিছু দিন অতিবাহিত কৰি ষষ্ঠ অনুসূচিৰ ষষ্ঠ অনুসূচিৰ অধীনৰ ব্যৱস্থাসমূহ অধ্যয়ন কৰিব। কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত ষষ্ঠ অনুসূচিত স্বায়ত্ব পৰিষদৰ ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাৰ অধ্যয়ন কৰিব। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা আৰু কাৰ্যনিৰ্বাহকসকলৰ সৈতে এত বৈঠকত মিলিত হ'ব। আজি হাফলঙত ৱাংচুকে কয় যে আছাম ইউনিভাৰ্ছিটী চেণ্টাৰ ফৰ কাৰ্বি ষ্টাডিজ আৰু কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত ডিফুত এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। আলোচনাত অংশগ্ৰহণ কৰিবলৈ অহা বুলি কয়। ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত হোৱাৰ ৭৫ বছৰীয়া বৰ্ষ উদযাপন উপলক্ষে অনুষ্ঠিত গুৰুত্বপূৰ্ণ আলোচনা চক্ৰত ভাষণ প্ৰদান কৰিব ৱাংছুকে। আলোচনা চক্ৰত ষষ্ঠ অনুসূচীত জনজাতিৰ সংস্কৃতিৰ সংৰক্ষণ, উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণক গুৰুত্ব দিয়া হ'ব। ৱাংছুকে আৰু কয় যে মই শীঘ্ৰে ষষ্ঠ অনুসূচী ৰূপায়ণৰ দাবীত কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাত মিলিত হম। লাডাখত ষষ্ঠ অনুসূচী আৰু আমাৰ সংস্কৃতি-পৰিৱেশ বচোৱাৰ বাবে আলোচনা চলাই আছো। লাডাখত লোকতন্ত্ৰৰ কোনো মঞ্চ নাই। লোকতন্ত্ৰৰ পৰা বঞ্চিত লাডাখ। ৩ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব এই আলোচনা। তাৰ পূৰ্বে ডিমা হাচাও জিলাৰ ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিম। কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাৰ সময়ত এই বিষয়সমূহ উত্থাপন কৰা হ'ব।

# গুৱাহাটীৰ মূল পথত এতিয়া চলাব নোৱাৰিব ই-ৰিক্সা

**ই-সংবাদ, ১১ নৱেম্বৰঃ** কামৰূপ মহানগৰ জিলা প্ৰশাসনে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰ পৰা গুৱাহাটীৰ মুখ্য পথসমূহত ই-ৰিক্সা চলাব নোৱাৰিব। মুখ্য পথৰ সৈতে সংলগ্ন চ'কৰ পৰা দুটা এটা ভিতৰুৱা পথতহে ই-ৰিক্সা চলাব পাৰিব। আজি গুৱাহাটী মহানগৰ প্ৰশাসনে এক কঠোৰ নিৰ্দেশ দি এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত যি কেইটা পথ নিৰ্দিষ্ট কৰি দিয়া হৈছে সেই কেইটা পথতহে ই-ৰিক্সা চলাব পাৰিব চালকসকলে। ৰিফাইনেৰী, ডিগাৰু, সোণাপুৰ বজাৰ, পানীখাইটি, ক্ষেত্ৰী, পাঞ্জাবাৰী, ক্ষেত্ৰী, কইনাধাৰা, বশিষ্ঠ মন্দিৰ, গড়চুক, সাতমাইল, এয়াৰপৰ্ট, সাতমাইল, দক্ষিণগাঁও, হেঙেৰাবাৰী, লালমাটি, সিজুবাৰী, সাওকুচি, আদাবাৰী এলেকাৰ নিৰ্দিষ্ট কৰি দিয়া উপ-পথসমূহতহে ই-ৰিক্সাই যাত্ৰী লৈ চলাচল কৰিব পাৰিব। মহানগৰীৰ মুখ্য দ্বৈত পথত ই-ৰিক্সা চলাচল কৰিব নোৱাৰিব। জানিব পৰা মতে, যদি নিৰ্দিষ্ট কৰি দিয়া পথৰ বাহিৰে মুখ্য পথত ই-ৰিক্সা চলাচল কৰে তেন্তে গাড়ীখনেই জব্দ কৰা হ'ব পাৰে নতুবা জৰিমনা বিহা হ'ব। গুৱাহাটীৰ কেইবাটাও এলেকাত ব্যাপক যান-জঁটৰ কাৰণ ই-ৰিক্সা হৈ পৰা বুলি চৰ্চা হয়। লগতে বিভিন্ন সময়ত দুৰ্ঘটনা আৰু অনৈতিক কাণ্ডত ই-ৰিক্সা চালক জড়িত হৈ পৰাৰ অভিযোগ উত্থাপন হৈ আহিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি